
# কাঠমাণ্ডু দেখিলো



শ্রীউমেশ কলিতা বৈষ্ণৱ

ওঁ

তৎ সৎ

# কাঠমাণ্ডু দেখিলো



শ্ৰীউমেশ কলিতা বৈষ্ণৱ

প্ৰকাশক :

শ্ৰীউমেশ কলিতা বৈষ্ণৱ
গাওঁ— বাউসী তেতেলীয়া
ডাকঘৰ— বৰন্বৈ
পিন- ৭৮১১০৪
কামৰূপ : অসম

২৮ কাতি ১৯১৯ শকাব্দ
১৪ নবেম্বৰ, ১৯৯৭ ইং

মূল্য : ৬·০০ টকা

মুদ্ৰক : জয়া প্ৰিণ্টাৰ্চ, হাজো
ফোন নং— ৮২২১০
কামৰূপ : অসম

ওঁ

## ভক্তি অঞ্জলি

যিজনাৰ কৃপাতে অভাজনে ভক্তি আৰু ভগৱন্তৰ পৰম জ্যোতিৰ অণু-ৰেণুৰ অনুসন্ধানত ধাৱমান, সেইজনা পৰম আৰাধ্য দীক্ষা গুৰু দামোদৰ দেৱ ধাম যোগাশ্ৰমৰ অধ্যক্ষ শ্ৰীমৎ স্বামী সদানন্দ ব্ৰহ্মচাৰী দেৱৰ পদ-কমলত "কাঠমাণ্ডু দেখিলোঁ" পুথিখনি উছৰ্গা কৰিলোঁ।

হৰি ওম্ তৎ সৎ

সেৱক—
উমেশ

# বিষয়-সূচী


o গুৱাহাটীৰ পৰা কাকৰভিটালৈ ১
o কাকৰভিটাৰ পৰা জনকপুৰ ২
o জনকপুৰৰ পৰা কাঠমাণ্ডুলৈ ৮
o বিমান ঘাটিৰ পৰা ধৰ্মশালালৈ ১০
o পশুপতি নাথ মন্দিৰ ১১
o গোৰক্ষ ধাম ২১
o কাঠমাণ্ডু চহৰ ২৫
o বজা আৰু ৰাজদৰবাৰ ২৮
o কাঠমাণ্ডু চহৰৰ বাতাবৰণ ২৯
o নেপাল ৰাষ্ট্ৰৰ চমু ইতিহাস ৩২
o প্ৰত্যাৱৰ্ত্তন ৩৬


❋ ❋ ❋

ওঁ

# পূৰ্বাভাষ

ভ্ৰমণত জ্ঞান বাঢ়ে। চাক্ষুক দৃষ্টিৰ হেতুকে ইন্দ্ৰিয় সমূহৰো পৰিপুষ্টি সাধন হয়। অন্তৰতো পুলক জাগে। এই আনন্দ চিৰন্তৰ।

বিশ্বৰ একমাত্ৰ হিন্দু প্ৰধান ৰাষ্ট্ৰ নেপাল ভ্ৰমণৰ বাবে বহুদিনৰ পৰা আশা এটি সাঁচি ৰাখিছিলো। পৰমেশ্বৰৰ কৃপাত ১৯৯৩ ইং চনত সেই আশা পূৰ্ণ হ'ল। বিদেশ ভ্ৰমণৰ কাল ছোৱাত চাক্ষুক দৃষ্টিত দৃষ্টিগোচৰ হোৱা আৰু স্থানীয়লোকৰ পৰা সংগ্ৰহ কৰা সকলো খিনিকে টোকা বহীত লিপিবদ্ধ কৰা হৈছিল । কিন্তু নতুন দেশৰ, নতুন সমাজৰ নতুন পৰিবেশে মোক যি ভাবে আপ্লুট কৰিছিল সেই ভাবখিনি প্ৰকৃত ৰূপত প্ৰকাশ কৰিবলৈ এজন অপৈনত লেখকৰ বাবে সহজ কাম নহয়। বিশ্ববিদ্যালয়ৰ ডিগ্ৰী এটা লোৱাটো যিমান টান কাম কিতাপ এখন লিখি ছপা কৰি উলিওৱাটো ততোধিক জটিল কাম। পযেক যোৱা ভ্ৰমণত এখন ৰাষ্ট্ৰৰ বিষয়ে সবিশেষ অধ্যয়ন কৰা আৰু চোৱাচিতা কৰা সহজ কথা নহয়। সম্ভৱো নহয়। অৱশ্যে আমাৰ ভ্ৰমণৰ মুখ্য উদ্দেশ্য আছিল নেপালৰ মঠ-মন্দিৰবোৰ দৰ্শন কৰি ভক্তি অৰ্ঘ্য নিবেদন কৰাৰ লগতে সেইবোৰৰ ঐতিহাসিক তথ্যবোৰ সাধ্যানুসাৰে অধ্যায়ন কৰা। সেয়েহে কিতাপ খনত নেপালৰ এটি চমু ইতিবৃত্ত দাঙিধৰাৰ লগতে অধিক সংখ্যক মঠ-মন্দিৰৰ বৰ্ণনাহে দিবলৈকে প্ৰযত্ন কৰা হৈছে। অৱশ্যে নানা ধৰণৰ মন্দিৰ আৰু মহা মহা পীঠৰে থাহ খাই থকা দুই চাৰি মঠ-মন্দিৰৰ বৰ্ণনা বৈ যোৱাটো আৰু দুই চাৰিলোকৰ মুখৰ পৰা দুই চাৰি কথা সংগ্ৰহ কৰোতে অকণমান হ্ৰস্ব-দীৰ্ঘ হোৱাতো স্বাভাবিক। নেপাল ভ্ৰমণত কোনো

অনুমতি পত্র ( ভিছা ) নেলাগে ।

অবিভক্ত কামৰূপ সাধুসেৱক সন্মিলনী আৰু অসম সাধুসেৱক সন্মিলনীৰ সাধাৰণ সম্পাদকৰ সেৱা কাৰ্যত ভালে কেইটি বছৰ ব্ৰতী হৈ থকা হেতুকে আজি প্ৰায় পাঁচ বছৰে কিতাপখন লিখি উলিৱাব পৰা নাছিলো। এই বেলি গ্ৰীষ্ম বন্ধত বাপুজী সনাতন আশ্ৰমত একেৰাহে এমাহ চাৰিদিন আছিলো। সেই আপঁাহতে ভ্ৰমণ কাহিনীখন "কাঠমাণ্ডু দেখিলো" নামেৰে লিখি উলিওৱা হ'ল। বিদেশ ভ্ৰমণৰ স্পৃহা থকা ছাত্ৰ-ছাত্ৰী আৰু সুধীসকলক এই কিতাপখনে প্ৰেৰণা যোগাব বুলি আশা কৰিলো ।

কিতাপখন লিখিবলৈ সততে উদ্গনি দি থকা একমাত্ৰ পুত্ৰ শ্ৰীমান নীলমণি কলিতা বৈষ্ণৱ, মাতৃ স্বৰূপা শ্ৰীমতী স্বৰ্ণলতা ডেকা বৈষ্ণৱী আৰু দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক শ্ৰীমান শৰৎ চন্দ্ৰ কলিতাৰ প্ৰতি শ্ৰদ্ধা আৰু মৰম থাকিল । দম্‌দমা মহাবিদ্যালয়ৰ প্ৰবক্তা মাননীয় শ্ৰীঅৰবিন্দ ডেকাদেৱে অশেষ কষ্ট কৰি পাণ্ডুলিপিটো চাই দিয়া বাবে তেখেতৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা যাচিলো। জয়া প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈ শুভেচ্ছা আৰু ধন্যবাদ যাচিলো।

পুথিখনত অজ্ঞাত ভাবে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা-ভিক্ষা মাগিছো। সুধী সমাজে কিতাপখন মৰম আৰু সহানুভূতিৰে চালে পৰম কৃতাৰ্থ হ'ম । ইতি—

২৮ কাতি শ্ৰীকৃষ্ণৰ ৰাস যাত্ৰা
১৪-১১-৯৭ ইং

দীন সেৱক—
*শ্ৰীউমেশ কলিতা বৈষ্ণৱ*

ওঁ

# গুৱাহাটীৰ পৰা কাকৰভিটালৈ

বিশ্বৰ এক মাত্ৰ হিন্দু প্ৰধান ৰাষ্ট্ৰ নেপাল ভ্ৰমণৰ বাবে বহু দিনৰ পৰা প্ৰবল ইচ্ছা আৰু আশা মনত পোষণ কৰি ৰাখিছিলো। যোৱা ২১-৭-৯৩ ইং তাৰিখে গ্ৰীষ্ম বন্ধৰ সুবিধা অকণ পাই অসম সাধু সেৱক সন্মিলনীৰ উপ-সভাপতি শ্ৰদ্ধেয় শ্ৰীগৰ্গেশ্বৰ নাথ বৈষ্ণৱ আৰু বন্ধু শ্ৰীসুনীল ৰজকৰক লগত লৈ গুৱাহাটীৰ পৰা নেপাল অভিমুখে প্ৰাইভেট্ বাছেৰে যাত্ৰা কৰিলো । ইতিমধ্যে ২০-৭-৯৩ ইং তাৰিখে অসমত হোৱা প্ৰবল বৰষুণৰ ফলত বহু ঠাইতো দলং ভাঙি যোৱাৰ বাবে যাতায়ত আনকি ৰেলপথো বন্ধ হৈ পৰিছিল । বাছ আস্থানত এই কথা জনাৰ পিচতো ঘৰৰ পৰা যাত্ৰা কৰি আহি উভতি যাবলৈ ইচ্ছা নকৰি মৰণক শৰণ কৰি গৈ থাকিলো । গুৱাহাটীৰ পৰা ২০০ শ কিলোমিটাৰ মান পথ যোৱাৰ পিছত পথ বিছিন্ন ঠাই পালোগৈ । তেতিয়া ৰাতি প্ৰায় তিনিটা বাজিছিল । বাছৰ পৰা নামি পথৰ ওপৰতে নিশাৰ বাকী সময়খিনি কটালো । ৰাতিপুৱালত অন্য উপায় নেদেখি পদ যাত্ৰা আৰম্ভ কৰিলো । কোনো ঠাইত ৰিক্সাৰে, কোনো ঠাইত ঠেলা গাড়ীৰে, কোনো ঠাইত মিনি বাছেৰে আৰু কোনো কোনো ঠাই খোজ কাঢ়ি মুঠতে প্ৰায় ৫০ কিলোমিটাৰ মান পথ গৈ আবেলি তিনি বজাত আলিপুৰদুৱাৰ পালোগৈ । তাত গৈ দেখিলো এদিন আগতে আকস্মিক ভাবে বানপানীয়ে বুৰাই যোৱা চহৰখনৰ দোকান-পোহাৰবোৰ বন্ধ আছিল । দোকানীবোৰ বানপানীত ক্ষয়-ক্ষতি হোৱা বস্তুবোৰৰ উদ্ধাৰ কাৰ্যত ব্যস্ত আছিল । উৎকট

গোন্ধে চহৰখনৰে বাতাবৰণ নষ্ট কৰি পেলাইছে । পুলিচৰ পৰামৰ্শ মতে আমি মিনি বাছেৰে কোচবেহাৰ পালোগৈ ।

সন্ধিয়া ৬-৩০ বজাত ট্ৰেনস্পোৰ্টৰে শিলিগুৰীলৈ গলো । ৰাতি দহ বজাত শিলিগুৰী পালোগৈ । তাত গৈ জানিব পাৰিলো যে ২৩-৭-৯৩ ইং তাৰিখে ভাৰত বন্ধৰ পৰিপ্ৰেক্ষিতত শিলিগুৰী বন্ধ থাকিব । তেতিয়া আমি পুলিচৰ পৰামৰ্শ মতে ৰাতিৰ ভিতৰতে ভাৰত সীমা পাৰ হৈ নেপাল সীমাত থকাটোকে উচিত বিবেচনা কৰিলো । কিন্তু লেঠা হ'ল এই নাতিদীৰ্ঘ পথ ছোৱা মাজে মাজে জনশূণ্য আৰু সংকটময় বাবে প্ৰথমতে ইমান ৰাতি যাবলৈ আমাৰ মনত দ্বিধা জন্মিল । পিছে দুখহাৰী ভগৱন্তৰ কৃপাত দৈবক্ৰমে নেপালস্থ আত্মীয়ৰ ঘৰলৈ যাব অহা তিনিজন নেপালী সম্প্ৰদায়ৰ চিপাহীক লগ পোৱাত হাততে সৰগ চুকি পোৱা যেন লাগিল । এশ আশী টকাত টেম্পো গাড়ী এখন ভাড়া কৰি লৈ ৰাতি বাৰ বজাত ভাৰত সীমা পানীটেংকি অতিক্ৰম কৰি নেপালৰ দুৱাৰমুখ কাকৰভিটা পালোগৈ । প্ৰথম বাৰৰ বাবে নেপাল ভূমিত পদাৰ্পণ কৰি বিগত সকলো দুখ ভাগৰ পাহৰি স্বস্তিৰ নিশ্বাস পেলালো । ৰাতিটোৰ বাবে "ভাগ্য" নামৰ শাকাহাৰী হোটেলত থকা-খোৱাৰ বাবে এশ দহ টকাত বন্দৱস্ত কৰিলোঁ ।

## কাকৰভিটাৰ পৰা জনকপুৰ

কাকৰভিটাৰ পৰা নেপালৰ ৰাজধানী কাঠমাণ্ডুলৈ আৰু ত্ৰেতা যুগৰ জনক ৰজাৰ ৰাজধানী জনক পুৰলৈ নিতৌ এবাৰকৈ বাছ চলাচল কৰে । ইয়াৰ পৰা কাঠমাণ্ডুলৈ দূৰত্ব প্ৰায় ৫৭০ কিঃ মিঃ আৰু ভাৰা ২৫৫.০০ টকা ( ভাৰতীয় মুদ্ৰা প্ৰায় ১৭৪.০০ টকা ) লাগে । টিকট



দেখুৱালেহে যাত্ৰীক বাছত উঠিব দিয়ে । বাছবোৰ দীঘল আৰু আহল-বহল । বাছ আস্থানটোক কেন্দ্ৰ কৰি ইয়াৰ আশে-পাশে কিছু সংখ্যক দোকান-পোহাৰ আৰু আমিষ-নিৰামিষ ( ভাগ্য একমাত্ৰ শাকাহাৰী হোটেল ) হোটেল গঢ়ি উঠিছে। "নাৰায়ণ মেডিকেল হল" নামেৰে এখন ঔষধালয়ো আছে । বাছষ্টেণ্ডৰ কাষতে "নেপাল ৰাষ্ট্ৰ ব্যাঙ্ক" নামেৰে এটা ব্যাঙ্ক আছে । ইয়াতে ভাৰত নেপাল ভ্ৰমণকাৰী সকলে নিজ নিজ দেশৰ মুদ্ৰা বোৰ সলনি কৰি লয় । সেইদৰে আমি ভাৰতীয় মুদ্ৰা সলনি কৰি নেপালী মুদ্ৰা গ্ৰহণ কৰিলোঁ। মন কৰিবলগীয়া যে ভাৰতীয় মুদ্ৰা এশ টকা দিলে নেপালী মুদ্ৰা এশ ষাঠি টকা দিয়ে । নোট আৰু মুদ্ৰাবোৰ ভাৰতীয় মুদ্ৰাৰ লগত কিছু সাদৃশ্য থকা আৰু টকাৰ পৰিমাণ ইংৰাজীতে লিখা থকা বাবে আমাৰ কোনো অসুবিধা হোৱা নাছিল । ব্যাঙ্কৰ কাষতে পাচ মুখীয়া হনুমানৰ এটা বৃহৎ মূৰ্ত্তিৰ মন্দিৰ আছে । ইয়াৰ দুইখন মুখ বৰাহৰ আকৃতিৰ শ্যামবৰণীয়া । ইয়াৰ আগতে ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থবোৰ পৰিভ্ৰমণ কৰোতে পাচ মুখীয়া হনুমানৰ মূৰ্ত্তি দেখা নাছিলো। ইয়াত Toyoto নামেৰে এক শ্ৰেনীৰ মানুহ কঢ়িওৱা সৰু গাড়ী দেখিলো ।

২৩-৭-৯৩ ইং তাৰিখে ৰাতিপুৱা আমি বাছষ্টেণ্ডত কাঠমাণ্ডুলৈ যোৱা গাড়ীৰ টিকট অনুসন্ধান কৰি থাকোতে সুঠাম দেহৰ ডেকা এজন আমাৰ ওচৰলৈ আহি অসমীয়া ভাষাতে সুধিলে— আপোনালোক ক'ৰ পৰা আহিছে আৰু কলৈ যাব। অসমীয়া ভাষী লোক এজনক বিদেশত হঠাতে লগ পোৱাত অপাৰ আনন্দ অনুভৱ কৰিলো । ইয়ো এক পৰম পিতাৰে কৃপা বুলি ভাবিলো । উত্তৰত আমি কলো যে আমি অসমৰ গুৱাহাটী চহৰৰ সমীপৱৰ্ত্তি গাওঁৰ পৰা আহিছো আৰু আমাৰ মূখ্য উদ্দেশ্য নেপাল ভ্ৰমণ । লগতে তেখেতৰ লগত পৰিচয়হৈ জানিব পাৰিলো যে তেখেতৰ নাম শ্ৰীভাৰত কইৰলা (ব্ৰাহ্মিণ সম্প্ৰদায়ৰ

এটি উপাধি ) তেখেতেও অসমৰে তেজপুৰ চহৰৰে বাসিন্দা আছিল। আজি প্ৰায় ত্ৰিশ বছৰমান পূৰ্বে ইয়ালৈ আহিছে আৰু ইয়াত এতিয়া নিগাজিকৈ থাকিব লৈছে । ভোটাধিকাৰো পাইছে । আৰু কোনোবা অসমীয়ালোক ইয়াত আছে নে বুলি সোধাত তেখেত ক'লে যে নাৰায়ণ মেডিকেল হ'লৰ মালিক শ্ৰীনাৰায়ণ শৰ্ম্মাও তেজপুৰ চহৰৰ নিকটবৰ্ত্তী বাসিন্দা আছিল । প্ৰায় ৩০-৩৫ বছৰ পূৰ্বে ইয়ালৈ সপৰিয়ালে আহি ঔষধৰ ব্যৱসায় চলাই আছে । আমাৰ অনুৰোধ মৰ্ম্মে তেখেতে আমাক মাননীয় শ্ৰীশৰ্ম্মাৰ লগত পৰিচয় কৰি দিলে । তেখেতেও আমাক পাই আনন্দ প্ৰকাশ কৰিলে । তেখেতৰ পৰা জানিব পাৰিলো যে ঔষধৰ ব্যৱসায় ভালেই চলিছে । প্ৰথম দুই-এক বছৰ চলোতে কষ্ট হৈছিল যদিও বৰ্ত্তমান কষ্টৰ কিছু লাঘৱ হৈছে । শৰ্ম্মা ডাঙৰীয়া বৰ অমায়িক আৰু তেখেতৰ ব্যৱহাৰত বৰ আপ্লুত হৈ পৰিলোঁ । তেখেতৰ লগত হোৱা আলোচনা প্ৰসঙ্গত মাননীয় শ্ৰীকইবালে দুখ প্ৰকাশ কৰি কলে যে আজি দুই দিন হ'ল প্ৰবল বৰষুণৰ ফলত ৰাজধানী কাঠমাণ্ডুলৈ যোৱা পথৰ তিনিখন দলং প্ৰবল বানপানীয়ে উটুৱাই নিয়াৰ ফলত বাছ যোগাযোগ বিচ্ছিন্ন হৈছে । ১৫ দিনৰ আগতে ৰাস্তা ভাল হোৱাৰ সম্ভৱনা কম । লগৰীয়া দুজন হতাশ হৈ পৰিল "বিপদত ধৈৰ্যই পৰম ঔষধ" বচন ফাঁকি সাৰোগত কৰি উৎকণ্ঠিত চিত্তে ইয়াৰ বিকল্প ব্যৱস্থা কিবা আছে নে সুধিলোঁ। তেখেতে অলপ সময় তলমূৰ কৰি থাকি ক'লে আছে, উপায় আছে। অৱশ্যে আপোনালোকৰ কিছু অধিক ধন খৰচ হব । বিদেশ ভ্ৰমণলৈ আহি আমি ধনলৈ বিশেষ চিন্তা কৰা নাই মাত্ৰ দৰ্শন আৰু স্পৰ্শনতহে অধিক গুৰুত্ব— আমি ক'লো । তেখেতে ক'লে বৰ্ত্তমান জনকপুৰলৈ গাড়ী চলি আছে । আপোনালোকে জনকপুৰৰ পৰা কাঠমাণ্ডুলৈ আকাশীযানেৰে যাব পাৰিব । তদুপৰি জনকপুৰত জনক মন্দিৰ,



জানকী মন্দিৰ, ৰাম-সীতাৰ বিবাহ-মণ্ডপকে আদি কৰি বহুতো চাবলগীয়া বস্তু দৰ্শন কৰিব পাৰিব । ৰাজৰ্ষি জনকৰ ৰাজ্য দেখা পাম, বিমানত উঠিব পাৰিম ইত্যাদি এশ এবুৰি চিন্তাই মনতো উৎফুল্লিত কৰি তুলিলে। তেখেতৰ পৰামৰ্শ মতে ২৩-৭-৯৩ ইং তাৰিখে সন্ধিয়া ৬ বজাত বাছেৰে জনকপুৰলৈ ৰাওনা হলো। প্ৰতিজনৰ টিকটৰ হাৰ এশ টকা আছিল। বাছ গোটেই ৰাতি গৈ আছিল আৰু পিছদিনা ২৪-৭-৯৩ ইং তাৰিখে ৰাতিপুৱা ৭ বজাত আমি নিৰ্বিঘ্নে জনকপুৰ পাইছিলোগৈ ।

পুণ্য ভূমি জনক পুৰত পদাৰ্পণ কৰাৰ লগে লগে ৰাজৰ্ষি জনকলৈ মনত পৰিল আৰু আপোনা-আপুনি মূৰ দো-খাই গ'ল । অনন্ত কোটি ব্ৰহ্মাণ্ডৰ গৰাকী শ্ৰীকৃষ্ণই পৰম ভক্ত জনকৰ ভক্তিত সন্তুষ্ট হৈ নিজে মিথিলালৈ আহি ভক্তৰ আতিথ্য গ্ৰহণ কৰিছিল । কৃষ্ণৰ পদধূলিয়ে মিথিলা নগৰী পুণ্য ভূমিত পৰিণত কৰাইছিল । জনকে স্বধৰ্মৰ বলতে ৰাজ্য সহকাৰে স্বৰ্গলৈ নিয়াৰ প্ৰবাদ শাস্ত্ৰ সমূহত উল্লেখ আছে । এনেহেন পূত ভূমিত পদাৰ্পণ কৰাৰ আমোদ লাভ কৰি পৰমেশ্বৰক শত সহস্ৰ বাৰ স্মৰণ কৰিলোঁ।

পুলিচৰ পৰামৰ্শ মতে আমি "গোপাল ধৰ্মশালাত" থাকিবলৈ ল'লো । ২০×২০ ফুট কোঠালি এটা আমি প্ৰতি নিশাৰ বাবে মাত্ৰ ১৫·০০ টকা ভাৰা দিব লাগিছিল। ইমান ডাঙৰ কোঠালি এটা ইমান নিম্নতম্ ভাৰাত ভাৰতবৰ্ষৰ কোনো চহৰত পোৱা যাব নে মোৰ সন্দেহ আছে । জনকপুৰৰ মাৰোৱাৰী সংঘই "ধনুস সাগৰৰ" পাৰত দুই মহলীয়াকৈ প্ৰায় ৮০ টা কোঠালিযুক্ত এই ধৰ্মশালাখন বান্ধি দিছে । ইয়াৰ পৰিচালনাৰ বাবে কেৰাণী, মহৰী, চৌকিদাৰ আদি আছে ।

প্ৰায় ১০-১২ বিঘা মাটিৰে বিস্তৃত মানুহে খন্দা এটা বৃহৎ জলাশয় বাবে ইয়াক "সাগৰ" নামকৰণ কৰা হৈছে ।

পিছদিনা আমি জনকমন্দিৰ দৰ্শন কৰি ২'০০ টকাৰ টিকট লৈ জানকী মন্দিৰত প্ৰবেশ কৰিলোঁ। জানকী মন্দিৰ দৰ্শন কৰি আমি সঁচাকৈ অভিভূত হৈ পৰিলো। প্ৰভু শ্ৰীৰামচন্দ্ৰ আৰু আই সীতাৰ স্বয়ম্বৰ মণ্ডপ দেখি আমি বিস্ময় মানিলো। ইয়াৰ মূৰ্ত্তিবোৰ মাৰ্ব্বল পাথৰেৰে বনোৱা আৰু মজিয়াখন মজেক খটোৱা। ইমান ধুনীয়া মণ্ডপটোৰ বিষয়ে আঁতি-গুৰি জানিবলৈ কৌতূহল জন্মাত পূজাৰীজনৰ পৰা জানিব পাৰিলো যে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি নীলম্‌সঞ্জীৱ ৰেড্ডী নেপাল ভ্ৰমণ কৰিবলৈ আহোতে এই মণ্ডপৰ উন্নতি কল্পে এক লাখ ধন অনুদান দিছিল। সেই টকাৰ সংব্যৱহাৰে আজিৰ এই মণ্ডপৰ চমৎকাৰিতাৰ কাৰণ। এজন ভাৰতীয় হিচাবে মই মনে মনে আনন্দ অনুভৱ কৰিলোঁ। থাক্ থাক্‌কৈ সজোৱা এই মণ্ডপটো চালে চকুৰোৱা। মূৰ্ত্তিবোৰ দেখিলে জীৱন্ত যেন লাগে। ৰাম-সীতাৰ বিবাহ কাৰ্য্য সম্পাদিত এটি হুবহু প্ৰতিচ্ছবি প্ৰস্ফুটিত হৈছে। ৰাম সীতাৰ সোঁফালে জনকৰ কুলগুৰু সতানন্দই বিবাহ বিধি পঢ়ি আছে। কাষতে ৰজা জনক আৰু তেওঁৰ ভাৰ্য্যা সুনয়ানা, বিবাহ উপভোগকাৰী কুশধ্বজ আৰু সুদৰ্শনা আৰু পিছফালে জনকৰ পুত্ৰ লক্ষ্মীনিধি কুলবধূ সিদ্ধি, দৰা ধৰোতা চাৰুশিলা আৰু বাওঁফালে কন্যা ধৰোতা চন্দ্ৰ কলা, ৰজা দশৰথ, কুলগুৰু বশিষ্ঠ আৰু বিশ্বমিত্ৰই আশীৰ্ব্বাদ দি থকা দৃশ্যই দৰ্শকৰ মন প্ৰাণ হৰি নিয়ে। এই দৃশ্য নয়নভৰি চাই ইয়াৰ পৰা প্ৰায় ১ কিঃ মিঃ দূৰত অৱস্থিত নাগা বাবাৰ মন্দিৰ দৰ্শনাৰ্থে গলো। প্ৰায় দহ ফুটমান ওখ এইজনা নাগা সন্যাসীৰ ভয়ানক মূৰ্ত্তি দেখি আমি বিস্মিত হৈ পৰিলো। কৌতুহল জন্মাত এজন বৃদ্ধলোকৰ পৰা জানিব পাৰিলো যে নাগা বাবা ইমান প্ৰতাপী আছিল— বনৰ হিংস্ৰ প্ৰাণী বাঘ, ভালুক, হাতী, সৰ্প আদিক মাতিলে সিহঁতে দৌৰি আহি তেওঁৰ সন্মুখত বৈ থাকে। যাবলৈ কলেহে সিহঁত গৈছিলগৈ। তদুপৰি



অতি আচৰিত কথা যে নাগা বাবাৰ কোনো শিষ্যই যদি দোকানলৈ যায় দোকানীয়ে তৎক্ষণাত নাগা বাবাই কি কি বস্তু নিবলৈ কৈছে উপযাচি সোধে। বস্তুৰ মূল্যও নলয়। কাৰণ তেওঁলোকৰ বিশ্বাস আছে যে নাগা বাবাক একগুণ দিলে তেওঁলোকৰ দহগুণ আয় হয়। নাগা বাবাৰ মন্দিৰ গঙ্গাসাগৰৰ পাৰত অৱস্থিত। আমি ইফালে সিফালে ঘূৰি-পাকি ফুৰোতে হনুমান টকিজ, আশা টকিজ, নীলম্ টকিজ, আদি চিনেমা হ'লবোৰ দৃষ্টিত পৰিছিল। আমি তিনিওজনে এখন ৰিক্সাতে উঠি উৰাজাহাজৰ টিকট বিচাৰি Royol Nepal Airlines Corporation-Janakpur অফিচলৈ গৈ থাকোতে বাটতে নেপালৰ বিখ্যাত কবি ভানু বাস্মতিৰ বৃহৎ প্ৰতিমূৰ্ত্তি এটা দেখিবলৈ পালো। চাবি চ'কৰ মাজতে এটা ওখ ঘৰত এই মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছে। বহু দূৰৰ পৰা এই মূৰ্ত্তি দেখা যায়। এনেতে এটি আমোদজনক ঘটনা ঘটিল। আমাৰ ৰিক্সা চালকজনে হঠাতে শুদ্ধ অসমীয়াত আমাক সুধিলে বাবু আপোনালোক ক'ৰ পৰা আহিছে আৰু ইয়াৰ পৰা কলৈ যাব?

হিন্দী প্ৰধান দেশ এখনত ৰিক্সাচালক এজনৰ মুখৰ পৰা হঠাতে মাতৃ ভাষা শুনি প্ৰথমতে আমি আচৰিত হলো। আমি কলো গুৱাহাটীৰ পৰা আহিছো। লগতে প্ৰশ্ন কৰিলো তুমি গুৱাহাটীৰ বিষয়ে জানানে? চালকজনে তপৰাই উত্তৰ দিলে বাবু জনাই নহয়, মই গুৱাহাটী মহানগৰী ভালকৈ চিনিও পাও। কামাখ্যা মন্দিৰৰ ওচৰত ঘৰ ভাড়া কৰি থাকি গুৱাহাটীত মই একেৰাহে পাঁচ বছৰ ৰিক্সা চলাইছিলো। বিয়া কৰোৱাৰ পিছত ইয়াতে থাকিবলৈ লৈছো। ব্যৱসায়ৰ আয়ৰ কথা সোধাত তেওঁ ক'লে যে গুৱাহাটীতকৈ ইয়াত আয় কম হৈছে। নিজৰ জন্ম ভূমি এৰি গুৱাহাটীলৈ যোৱাৰ ইচ্ছা নহ'ল। পৰিচয় সুধি জানিব পাৰিলো তেওঁ ধনছা জিলাৰ জনকপুৰ নিবাসী শ্ৰীফেকণ ৰাম থাপা।

বাটতে আমি ৰাম সাগৰ, ৰাম স্বৰূপ বহুমুখী, ৰাধা কেম্পাচ নামেৰে বৃহৎ এলেকাভুক্ত এখন কলেজ দেখিলো। তাত স্থানীয় ভাষাত কলেজবোৰক কেম্পাচ বোলে। সেই কেম্পাচৰ ভিতৰতে (National Agriculture Research Programme) নেপাল কৃষি অনুসন্ধান পৰিষদ নামেৰে এটি বৃহৎ অফিচ দেখিলো। ইতিমধ্যে আমাৰ ৰিক্সা গৈ উৰা জাহাজৰ টিকটদিয়া অফিচ ঘৰৰ সন্মুখত ৰ'ল গৈ। আমি ৰিক্সাৰ পৰা নামি ভাড়া বাবদ দহ টকা দিয়াত তেওঁ আমাক নমস্কাৰ দি কাঠমাণ্ডু ভ্ৰমণ শুভ হওঁক বুলি কৈ গুছি গ'ল। আমি অফিচত প্ৰবেশ কৰি টিকটৰ শাৰীত থিয় হলো। যথাসময়ত আমি ২৫-৭-৯৩ ইং তাৰিখৰ বাবে জনকপুৰৰ পৰা কাঠমাণ্ডুলৈ প্ৰতিখন টিকটৰ বাবদ নেপালী মুদ্ৰা ৮০৩·০০ টকা আৰু ভাৰতীয় মুদ্ৰা ৫০২·০০ টকা দি তিনিখন টিকট সংগ্ৰহ কৰিলো।

টিকট পোৱাত কোনো অসুবিধা নহ'ল যদিও আকাশীযানৰ ভ্ৰমণৰ কথা মনলৈ অহাত বুকুখনে চিৰিঙকৈ উঠিল। যি নহওক আমি সন্ধিয়া আমাৰ অস্থায়ী বাস ভৱন ধৰ্মশালালৈ প্ৰত্যাৱৰ্তন কৰিলো।

## জনকপুৰৰ পৰা কাঠমাণ্ডুলৈ

ৰাতিপুৱা ১০ বজাত নেপালৰ উৰা জাহাজৰ আড্ডা অফিচত উপস্থিত হ'লাহি। অফিচৰ খিড়িকিৰ আইনাৰ ফাকেৰে সঘনে জাহাজবোৰ উঠা নমা কৰা দৃশ্য দেখি এক বিমল আনন্দ উপভোগ কৰিলোঁ। উৰা জাহাজবোৰ প্ৰায়ে সৰু আছিল আৰু যাত্ৰী ২০-২৫ জনহে কঢ়িয়াব পাৰে। ইতিমধ্যে আমি যাবলগা প্লেনখন ১১-২৫ মিনিটত অৱতাৰণ কৰিছিল। আমি যাত্ৰীবোৰে নিজৰ নিজৰ ভ্ৰমণৰ সামগ্ৰীবোৰ অফিচত জমা দিলোঁ। বিনিময়ত আমি একোটা টিকট পালো।



সামগ্ৰীবোৰ বিভাগীয় লোকে উৰা জাহাজত উঠাই দিয়ে। আমি ১১-৪৫ মিনিটত খালী হাতেৰে শাৰীপাতি জাহাজত উঠিবলৈ ললোঁ। মহিলাৰ আৰু পুৰুষৰ বাবে দুটা সুকীয়া শাৰী আছিল। মহিলা সকলক মহিলা পুলিচে আৰু পুৰুষ সকলক পুৰুষ পুলিচে Matel detector ৰে পৰীক্ষা কৰিছিল। আমি অসমীয়া সাজ-পাৰ ধুতি-চোলা পৰিধান কৰি যোৱা বাবে আমাক নিমিত্ত মাত্ৰহে পৰীক্ষা কৰিছিল। বিমান জখলাৰে জাহাজত উঠি আমি নিজৰ নিজৰ টিকটৰ নম্বৰ মতে আসনত বহিলো। লগে লগে পৰিচাৰিকা দুগৰাকীয়ে (Air Hostess) যাত্ৰীসকলক কোকালত পেতিবোৰ লগাই লবলৈ অনুৰোধ কৰিলে আৰু অলপ পিছতে এখন থালত কিছুমান চক্‌লেট আনি যাত্ৰীবোৰৰ সমুখে সমুখে বিতৰণ কৰিলে। যাত্ৰীসকলেও নিজ ইচ্ছা মতে সেইবোৰ গ্ৰহণ কৰিলে। মই এবাৰ যোৰহাটৰ পৰা গুৱাহাটীলৈ উৰা জাহাজত আহোতে খোৱা এইবিধ চক্‌লেটৰ খোৱাদৰ কথা মনত পৰাত চাৰিটা চক্‌লেট ললোঁ। তাৰে এটা মুখত লৈ চুহিবলৈও ধৰিলো। মোৰ সাধাৰণ বিশ্বাস এই বিধ চক্‌লেটৰ সোৱাদ একমাত্ৰ উৰাজাহাজৰ যাত্ৰীহে পাব পাৰে। বাহিৰৰ দোকানত ই বিক্ৰী নহয়। ১২-৫ মিনিটত আমাৰ জাহাজখনে নেপালৰ ৰাজধানী কাঠমাণ্ডু চহৰ অভিমুখে উৰা মাৰিলে। মুঠ যাত্ৰী ২৫ জন আছিল। লগে লগে আমি ইষ্ট দেৱতাক স্মৰণ কৰিলো। পাহকুৱা ঠাই বাবে জাহাজখন বহু ওপৰেৰে যোৱা নাছিল। খিড়িকীৰ আইনাৰে পাহাৰৰ টিলাবোৰ আৰু টিলাবোৰত অৱস্থিত ঘৰবোৰ আকাৰত সৰু সৰু দেখা পালো। আকাশ মেঘাছন্ন আছিল যদিও জাহাজখনে কোনো প্ৰাকৃতিক হৰকত পোৱা নাছিল। মধুসূদনৰ কৃপাত মাত্ৰ ২৫ মিনিটৰ পিছতে আমাৰ জাহাজখনে নিৰ্বিঘ্নে কাঠমাণ্ডুৰ বিমান ঘাটিত অৱতাৰণ কৰিলে। আমি এয়াৰ ব্ৰিজেৰে তললৈ নামি অহিলোঁ।

## বিমান ঘাটিৰ পৰা ধৰ্মশালালৈ

ৰাজধানীৰ বিমান ঘাটিত পদাৰ্পণ কৰি দেখিলো যে ই এটা বিয়াগোম বিমান বন্দৰ। ইয়াৰ চাৰি সীমা চকুৰে মনিব নোৱাৰি। এখনৰ পিছত এখন জাহাজ উঠা নমা কৰা দৃশ্য দেখি আমি সঁচাকৈ অভিভূত হৈ পৰিলো। ইতিমধ্যে আমাৰ সামগ্ৰীবোৰ ৰয়েল নেপাল বায়ুসেনা অফিচত জমা হৈছিলহি। তাৰ পৰা আমি টিকট দেখুৱাই সেই নম্বৰ মতে নিজ নিজ সামগ্ৰীবোৰ চম্জাই ললো। বায়ুসেনা অফিচৰ সমুখতে পিতলৰে সজোৱা প্ৰকাণ্ড হনুমানৰ মূৰ্ত্তি চালে চকুৰোৱা। এই বিমান ঘাটিটো ১৫-২-১৯৫১ ইং চনত মুকলি কৰা হৈছিল। পিছত আমি পুলিচৰ পৰামৰ্শ মতে "পশুপতি গো-শালা ধৰ্মশালা" নামৰ ধৰ্মশালালৈ গলো। ভিতৰত প্ৰবেশ কৰাৰ লগে লগে এজন ডেকা ল'ৰাই আমাক অফিচ কোঠালৈ মাতি নিলে। অফিচ পৰিচালকে আমাৰ পৰিচয় আৰু উদ্দেশ্যৰ সবিশেষ জানি ললে। অহোৰাত্ৰৰ বাবে ৩০.০০ টকা হাৰত এটি ২০×২০ ফুট কোঠালি ৭ দিনৰ বাবে আমি ভাড়া বন্দবস্ত কৰিলো। আমি ৪৩ নং কোঠালিত থাকিবলৈ ললো। ইয়াত এখন ফেন, এটা লাইট আৰু দুইখন চাবি ব্যৱহাৰ কৰিবলৈ পালো। চৌদিশে আগুৰা দুমহলীয়া এই প্ৰকাণ্ড গো-শালাখনৰ সৰু ডাঙৰ কোঠালি প্ৰায় আশীটা মান আছে। ইয়াৰে এটা কোঠালিত বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা আছে। পৰিচালনা সমিতিয়ে ২০ জনী জাৰ্চি গাই পোহা বাবে যাত্ৰীৰ বাবে গাখীৰৰ অভাৱ নাই। গো-শালাৰ চোতালৰ মাজতে এটা শিৱ মন্দিৰ আছে। লোকসকলে ৰাতিপুৱা এই মন্দিৰৰ শিৱ লিঙ্গত সেৱা এটি জনাইহে বাহিৰলৈ যায়। নেপাল মাৰোৱাৰী সংঘই এই গো-শালা নিৰ্ম্মাণ কৰি দিছে। বানপানীৰ বাবে যাত্ৰীৰ আহুকাল হোৱাত



চাৰিদিনৰ বাবে নেপাল মাৰোৱাৰী সংঘই গো-শালাৰ ভিতৰত থকা সকলো যাত্ৰীকে বিনামূলীয়াকৈ দুসাজ শাকাহাৰী ভোজন আৰু এবাৰ চাহ যোগান ধৰিছিল। আমিও এই সুযোগ ভোগ কৰিলো। ধৰ্ম'শালাখনত অকল পানী পাইখানাৰে সুবিধা আছে এনে নহয় সুকীয়া সুকীয়া ৰন্ধন কোঠাৰো ব্যৱস্থা আছে।

## পশুপতি নাথ মন্দিৰ

২৬-৭-৯৩ ইং তাৰিখে আমি ৰাতিপুৱা নিত্য পঞ্চযজ্ঞ ভাগ সমাপন কৰি পৃথিৱী বিখ্যাত পশুপতি নাথ মন্দিৰ দৰ্শনাৰ্থে গলো। এই মন্দিৰৰ নিৰ্ম্মাণ ইতিহাস বিচাৰি জানিব পাৰিলো যে পুৰণি কামৰূপ ৰাজ্যৰ শালস্তম্ভ বংশৰ ভগদত্তৰ বংশধৰ বিখ্যাত ৰজা হৰ্ষবৰ্মাদেৱৰ (৭২৫-৭৫০ খ্ৰীষ্টাব্দ) জীয়েক ৰাজমতীক নেপালৰ ৰজা জয়দেৱে বিয়া কৰাইছিল। ৰাজমতীৰ তত্বাৱধানতে নেপালৰ এই ইতিহাস প্ৰসিদ্ধ পশুপতি নাথ মন্দিৰ নিৰ্ম্মাণ হৈছিল। আমি থকা ধৰ্ম'শালাৰ পৰা ১ কিঃ মিঃ গলে মন্দিৰ পোৱা যায়। মন্দিৰলৈ যোৱা বাটৰ দুয়োকাষে বেলপাত, বিভিন্ন ৰঙৰ ফুল আৰু মিঠাইৰ অসংখ্য দোকান আছে। তদুপৰি সৰু বৰ প্ৰায়বোৰ দোকান বাৰে বৰণীয়া বস্তু থকাৰ উপৰিও নানা জাতৰ ৰুদ্ৰাক্ষৰ মালাৰে ভৰ-পূৰ হৈ আছে। মালা-ফুলৰ মূল্য কম। যাত্ৰীসকলে এইবোৰ কিনি নি মন্দিৰত পূজা অৰ্চনা কৰে। মন্দিৰৰ দুৱাৰ মুখত পুলিচে অহোৰাত্ৰ পহৰা দি থাকে। চাইন বোৰ্ড'ত ডাঙৰ ডাঙৰ হিন্দী হৰফৰে লিখা আছে "প্ৰবেশ কেৱল হিন্দু কে লিয়ে।" তদুপৰি চামৰাৰ জোতা, চেণ্ডেল, পেটি আদিৰেও প্ৰবেশ নিষেধ। যাত্ৰী সকলে দুটা শাৰীত (পুৰুষ-মহিলা) বিভক্ত হৈ মন্দিৰত প্ৰবেশ কৰিব লাগে। আমি ৰাতিপুৱা ৮ বজাত

পুৰুষৰ শাৰীত থিয় হৈছিলো । সেইদিনা পুৰুষ যাত্ৰী প্ৰায় ৫০০শ মান আছিল আৰু তেনেদৰে মহিলাৰ শাৰীতো প্ৰায় ৩০০শ জনী মান আছিল । ভীষণ ঠেলা হেচাৰ মাজেৰে আমি মন্দিৰ চৌহদত প্ৰবেশ কৰিয়ে মন্দিৰৰ সন্মুখত প্ৰতিস্থিত বিয়াগোম ষাড় গৰুৰ মূৰ্ত্তি এটা দেখি তাজ্জব মানিলো । প্ৰায় চাৰি কুইন্টলমান পিতলৰে সজোৱা এই জীৱন্ত মূৰ্ত্তিটো চালে চকুৰোৱা। এই বৃহৎ নন্দী মূৰ্ত্তিটো শিল্পীয়ে নিপুন ভাৱে নিৰ্ম্মাণ কৰিছে। যথা সময়ত পূজাৰীৰ কাষ পোৱাত আমি নিয়া মালা-ফুল আৰু মিঠাইৰ টোপোলা পূজাৰীয়ে নি শিৱৰ মূৰ্ত্তিত স্পৰ্শ কৰি পুনৰ আমাক ঘূৰাই দিলে। সেইবোৰ আমি নিৰ্মালি হিচাবে গ্ৰহণ কৰিলো । মন্দিৰ দৰ্শনৰ সময়ত আমাৰ দৃষ্টি গোচৰ হ'ল যে ইয়াত শিৱৰ বুকুৰ পৰা ওপৰ ভাগৰহে বিগ্ৰহ আছে । ইয়াত শিৱৰ মস্তক ভাগতহে পূজা-অৰ্চনা হয় । কিন্তু সাধাৰণতে শিৱৰ লিঙ্গমূলতহে পূজা-অৰ্চনা বিধিগত । ইয়াত ব্যতিক্ৰম দেখিলো । বিগ্ৰহ দৰ্শন পোৱাৰ লগে লগে আমাৰ মস্তক আপোনা আপুনি দো খাই গৈছিল। পূজাৰ সময়ত শঙ্খ, ঘণ্টাৰ ধ্বনিয়ে ধূপ-দীপৰ সুবাসে মন্দিৰ চৌহদত এক অমৃতময় শান্তিৰ বাতাবৰণ সৃষ্টি কৰে । দেৱাদিদেৱ মহাদেৱৰ বিষয়ে অনেক স্মৃতি জাগ্ৰত হৈছিল । ভগৱান পশুপতি নামৰ মহিমাৰ গুণ গান সমগ্ৰ বৈদিক অথবা পৌৰাণিক উপাখ্যান আদিত পোৱা যায় । শুক্ল যজুৰ্বেদৰ ১৬ নং অধ্যায় ভগৱান পশুপতিৰ প্ৰশস্তিৰে পৰিপূৰ্ণ হৈ আছে । শ্বেতা শ্বতৰ উপনিষদৰ মতে এই বিশাল ব্ৰহ্মাণ্ডৰ সৃষ্টি যি প্ৰাকৃতিৰ সহায়ত হৈছে সিয়ে মায়া আৰু সেই মায়াৰ অধিপতি মহেশ্বৰ পশুপতি নাথ। পৰম কল্যাণ মূৰ্তি ভগৱান শিৱৰ বহুবিধ ৰূপৰ ভিতৰত পশুপতি ৰূপতহে ইয়াৰ নিজস্ব বৈশিষ্টা প্ৰকাশ পাইছে। শিৱৰ পঞ্চমুখৰ ভিতৰত দক্ষিণৰ "অঘোৰ" মুখ গুৰু স্বৰূপা । এই



কাৰণে পশুপতি নাথ মন্দিৰত প্ৰবেশ কৰোতে দক্ষিণ দুৱাৰেৰে ভিতৰত প্ৰবেশ কৰাৰ নিয়ম আছে । অৱশ্যে মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত বিধিগত নিয়মো আছে । দৰ্শনাৰ্থী সকলে প্ৰথমে পতিত পাৱনী "বাগমতীত" স্নান কৰি গৌৰীতীৰ্থত (গৌৰীঘাট) পূজা কৰি ভগৱান কিৰাতেশ্বৰক দৰ্শন কৰাৰ নিয়ম আছে । ইয়াৰ পিছত পুনৰ উত্তৰ বাহিনী বাগমতীৰ জল স্পৰ্শ কৰি গুহ্যকালীৰ মন্দিৰ দৰ্শন কৰাৰ নিয়ম আছে । ইয়াৰ পিছত মৃগস্থলীৰ শিশৰত অৱস্থিত গৌৰীকুণ্ড আৰু ইয়াৰ নিচেই ওচৰতে থকা গোৰক্ষ নাথ মন্দিৰ, ক্ৰমে বিশ্বৰূপ, শ্ৰীসীতাৰাম, শ্ৰীলক্ষ্মী নাৰায়ণ, ভগৱান শ্ৰীবিষ্ণু, নীলসৰস্বতী, মঙ্গলাগৌৰী, ভস্মেশ্বৰ, মাতা বৎসলা, আৰ্যতীৰ্থ (আৰ্যঘাট), মৃগেশ্বৰ, বিৰুপাক্ষ, আদিত দৰ্শন আৰু পূজা কৰি দক্ষিণত চৌসঠ লিঙ্গত পূজা কৰি শেষত অন্তেষপুৰত প্ৰবেশ কৰিব লাগে । ইয়াৰ পিছত মাতৃ শীতলা, গণেশ, কীৰ্তিমুখ ভৈৰৱ, উন্মত্ত ভৈৰৱ, অষ্ট মাতৃকা, নবগ্ৰহ, শ্ৰীহনুমান, ভগৱান শ্ৰীসত্য নাৰায়ণ আদি নানা দেৱ-দেৱীক পূজা কৰি মন্দিৰৰ পশ্চিম দিশত অৱস্থিত বিশাল আকৃতিৰ নন্দীক (ষাড়গৰু) নমস্কাৰ কৰি ঈশান কোণত অৱস্থিত ভগৱান শ্ৰীবাসুকি নাথক দৰ্শন আৰু পূজা কৰা উচিত । পুনৰ ভগৱান গুপ্তেশ্বৰক দৰ্শন কৰি ধুণ্ডিৰাজ গণেশ, ভগৱান সূৰ্য, জলশায়ী বিষ্ণু, আৰ্যতীৰ্থ আদিত পূজা অৰ্চনা কৰি মুক্তি মণ্ডপত কিছু সময় জিৰণি লোৱাৰ নিয়ম আছে । এই বিশ্ৰামৰ সময়তে যাত্ৰীসকলে ইষ্ট দেৱতাৰ ধ্যান বা জপ কৰাৰো নিয়ম আছে ।

ইয়াৰ পিছত দুখহাৰী ভগবান শ্ৰীকৃষ্ণক দৰ্শন তথা সেৱা জনাই আৰু দক্ষিণ দুৱাৰৰ ধৰ্মশালাক প্ৰণাম জনাই ভগৱান পশুপতি নাথ মন্দিৰত প্ৰবেশ কৰাৰ শাস্ত্ৰীয় নিয়ম আছে । মন্দিৰৰ ভিতৰত প্ৰবেশ কৰি পশ্চিম দুৱাৰৰ পৰা দৰ্শন আৰম্ভ কৰিব লাগে । বিধিগত

ভাবে দৰ্শন আৰু পূজা সেৱা কৰিলে ভক্তৰ মনোবাঞ্চা পূৰ্ণ হোৱা কথা শাস্ত্ৰত উল্লেখ আছে। আমি অৱশ্যে সময়ৰ অভাবত আটাইবোৰ ক্ৰম মানি চলিব পৰা নাছিলো যদিও বিশ্বাস আমাৰ সুদৃঢ় আছিল।

মন্দিৰৰ দৰ্জা চাৰিখন। দুইখন পিতলৰে আৰু দুইখন ৰূপৰে সজোৱা। ইয়াৰ কাৰুকাৰ্য অতি চমৎকাৰ। থাক থাক কৰি চাৰি কোণীয়াকৈ সজোৱা মন্দিৰৰ কাৰুকাৰ্য চালে চকুৰোৱা। মন্দিৰৰ ওপৰ ভাগৰ কিছু অংশ পিতলৰে সজোৱা যদিও কলচি ভাগ সোণৰে নিৰ্মিত। ওপৰৰ এটা থাকত হৰ-পাৰ্বতীৰ যুগ্ম মূৰ্ত্তি সজোৱা আছে। মন্দিৰৰ তলভাগৰ কোণা বিলাকত বৃহৎ আকৃতিৰ ৰাক্ষসৰ মূৰ্ত্তি সজোৱা আছে। ইয়াৰ দ্বাৰা বহু হাজাৰ বছৰ পূৰ্বে ইয়াত অনাৰ্যলোকে বাস কৰিছিল বুলি অনুমান কৰিব পাৰি। মন্দিৰৰ চৌদিশে অনেক শিৱলিঙ্গ প্ৰতিস্থিত। হনুমানৰ মূৰ্ত্তি এটা আটক ধুনীয়াকৈ সজোৱা আছে। মন্দিৰৰ দক্ষিণ ফালে ৰজাই ৰাজ পৰিয়াল সহ উত্তৰ মুখ কৰি পশুপতি নাথক সেৱা কৰি থকা মূৰ্ত্তিবোৰ সজোৱা আছে। মন্দিৰৰ চৌদিশে অসংখ্য সৰু বৰ ঘণ্টা আঁৰি থোৱা আছে যদিও মন্দিৰৰ গাতে লাগি থকা প্ৰকাণ্ড ঘন্টাদ্বয়ত কোব মাৰিলে কাণ তাল মাৰি ধৰে। মন্দিৰ চৌহদত গেৰুৱা বসনধাৰী অনেক সাধু সন্যাসী আমি দেখিলো। মন্দিৰৰ পূব পিনে সৰু কোঠালি এটাত এজন জটাধাৰী ডেকা সন্ন্যাসীক লগপোৱাত পৰিচয় সুধি জানিব পাৰিলো যে তেওঁ উৰিষ্যাৰ পৰা ১২ বছৰৰ ধ্যান যোগৰ বাবে ইয়ালৈ আহিছে। এতিয়া সাত বছৰ হৈছে আৰু পাঁচ বছৰ বাকী আছে। ১২ বছৰ পূৰ্ণ হলে পুনৰ উৰিষ্যালৈ উভতি যাব। তেওঁ প্ৰায় লঘু আহাৰে খাই আৰু মন্দিৰ সমিতিয়ে ইয়াৰ যোগান ধৰে।

গিৰিৰাজ হিমালয়ৰ সুউচ্চ শিখৰৰ পৰা ওলাই অহা কলিকল্মষ-হাৰিণী জগত জননী স্ৰোতস্বিনী বাগ্মতী নদী মন্দিৰৰ পূব দিশেৰে



কুলু-কুলু সুৰেৰে বৈ গৈ শোভা বৰ্দ্ধন কৰিছে। মন্দিৰ এলেকাত দুয়োপাৰ শিলৰে বন্ধোৱা। মন্দিৰৰ চোতালত অসংখ্য বৃটিছ মুদ্ৰা গজাল মাৰি থোৱা দেখি ইয়াৰ সবিশেষ জানিব বিচৰাত বৃদ্ধ এজনে এটি জন প্ৰবাদ আমাক ক'লে। জন প্ৰবাদটি এনে ধৰণৰ— বৃটিছে ভাৰতবৰ্ষ দখল কৰাৰ পিছত এবাৰ নেপাল ৰাজ্যও দখল কৰিবলৈ ইচ্ছা কৰি বৃটিছ গবৰ্ণৰে ৰজাক জনালে যে ৰজাই বিনাযুদ্ধে নেপাল ৰাজ্যখন বৃটিছক এৰি দিব লাগে। অন্যথাই যুদ্ধ কৰি হলেও নেপাল ৰাজ্য দখল কৰিব বুলি ভাবুকি দিলে। ৰজাই তেতিয়া চিন্তান্বিত হৈ মন্দিৰলৈ আহি সাষ্টাঙ্গে প্ৰণিপাত জনাই ঘটনাৰ সবিশেষ নিবেদন কৰিলে। ৰাতি ৰজাই স্বপ্নদৰ্শনত ভগবান পশুপতি নাথে কোৱা শুনিলে— "ভয় নকৰিবা ৰজা, তুমি বৃটিছ বিষয়াক কৈ দিয়া যে মন্দিৰৰ সম্মুখত থকা গাঁতটো যদি গুটি টকাৰে ভৰ্ত্তি কৰি দিব পাৰে তেনেহলেহে নেপাল ৰাজ্য দখল কৰিব পাৰিব। অন্যথা নোৱাৰে।" শিৱৰ পৰা কৃপা লাভ কৰি ৰজাই বৃটিছ চৰকাৰক সেইমতে জনাই দিলে। বৃটিছে প্ৰথমে গাঁতটো ক্ষুদ্ৰ জ্ঞান কৰি সহজতে ইয়াক ভৰ্ত্তি কৰিব পাৰিব বুলি এবস্তা মোহৰ আনি গাঁতত ঢালি দিলে। কিন্তু চিন-মোকাম একোৱে নোহোৱাত বস্তাই বস্তাই, গাড়ীয়ে গাড়ীয়ে, মোহৰ ঢালি দিয়া স্বত্বেও কি আচৰিত কথা গাঁত পূৰ কৰিব নোৱাৰিলে। তেতিয়া তেওঁলোকে এই দেশৰ কিবা অলৌকিক মাহাত্ম্য থকা বুলি বুজিলে আৰু সিমানতে দেশ জয়ৰ আশা পৰিহাৰ কৰিলে। পিছত সেইবোৰ মুদ্ৰাকে গাঁতৰ পৰা উলিয়াই মন্দিৰ প্ৰাঙ্গণত ৬ ইঞ্চি মান দূৰে দূৰে গজাল মাৰি পুতি থোৱা হৈছে। আধা ক্ষয় যোৱা অৱস্থাত আজিও সেইবোৰ দৃশ্যমান হৈ আছে।

মন্দিৰ দৰ্শনৰ অন্তত আমি বাহিৰলৈ ওলাই আহি একমুখীয়া অলৌকিক মাহাত্ম্য পূৰ্ণ ৰুদ্ৰাক্ষৰ মালা বিচাৰিলো। দুই এখন

মনোহাৰী দোকানত পালো যদিও এডাল মালাৰ মূল্য ১৪০০.০০ (চৈধ্যশ) টকা বাবে আৰু খাঁটি-অখাঁটি নিশ্চিত হব নোৱাৰি ক্রয় কৰা নহ'ল। পিছে সৰু সৰু গুটিৰ ৰুদ্রাক্ষৰ মালা এডাল শাস্ত্র আদি পাঠ কৰাৰ সময়ত পিন্ধিবলৈ সুবিধা হব ভাবি ৭৫.০০ টকাত কিনিলো। ঠিক তেনেকুৱা মালা বদৰিকাশ্রমত আমাক ২৫০.০০ টকা শুনাইছিল। গেৰুৱা ৰঙৰ কামিজ এটাৰ কাপোৰ গুৱাহাটীৰ তুলনাত বহু কম দামতে কিনিলো। মন্দিৰৰ পশ্চিম দুৱাৰৰ কাষতে থকা দোকান বোৰত শ্রীবিষ্ণুৰ শালগ্রাম মূৰ্ত্তিবোৰ বিক্রীৰ বাবে ৰাখি থোৱা দেখিলো। তুলনামূলকভাবে ব্যৱহার্য সামগ্রীবোৰৰ মূল্য কম বুলিয়ে কব লাগিব। সদৌশেষত আমাৰ দৰে পাপী তাপী সন্তাপীলোকক শান্তি দিয়ক, জীৱ জগতৰ কল্যাণ সাধনকৰক ইয়াকে শ্রীপশুপতি নাথ ভগৱন্তৰ শ্রীচৰণত প্রার্থনা জনাই আমি থকা ধর্মশালা অভিমুখে ৰাওনা হলো।

**মন্দিৰক কেন্দ্র কৰি পালন কৰা ধৰ্ম্মীয় অনুষ্ঠান আদি :—**

এইপূত তীর্থভূমিত প্রতি বছৰে অনেক পৰ্ব্ব বা উৎসৱ পালন কৰা হয়। প্রধান উৎসৱ বা পৰ্ব্ব সমূহ এনে ধৰণৰ—

**মহাশিৱৰাত্রি :—** প্রতি বছৰে ফাগুন মাহৰ কৃষ্ণ চতুর্দশী তিথিত মহাশিৱৰাত্রি উৎসৱ জাক-জমকতাৰে পালন কৰা হয়। ভগৱান পশুপতি নাথৰ জ্যোতিলিঙ্গৰ আবির্ভাব হোৱা দিনৰে পৰা সমগ্র হিন্দু জাতিৰ কাৰণে এই পৰ্ব্ব অত্যন্ত মহত্বপূর্ণ হিচাবে বিবেচিত হৈ আহিছে। ভক্তগণে সেইদিনা ভগৱান শিৱৰ নামত ব্রত ৰাখি বাগ্মতী-নদীত স্নান কৰি বেলপাত আৰু বাৰে-ৰবণীয়া ফুলেৰে মন্দিৰত পূজা-অর্চনা কৰে। এই উৎসৱত ভাৰত, ভূটান আদি বহিঃ ৰাষ্ট্ৰৰ পৰা অগনন ভক্তৰ সমাগম হয়। মন্দিৰত হোৱা আটাইবোৰ উৎসৱৰ ভিতৰত এই মহাশিৱৰাত্রি উৎসৱে সৰ্ব্ববৃহৎ আৰু এই উৎসৱত লক্ষাধিক



লোকৰ আগমন তথা মিলন হয়। সংস্কৃত স্তোত্ৰৰ ধ্বনিয়ে চৌদিশ মুখৰিত কৰি তোলে।

**শিতলাষ্টমী :—** এই উৎসৱ চ'ত মাহৰ কৃষ্ণ অষ্টমীৰ দিনা পালন কৰা হয়। মন্দিৰৰ ভিতৰত কীর্তিমুখ ভৈৰৱৰ ওচৰত এই শীতলা মন্দিৰ অৱস্থিত। ভক্তসকলে নিষ্ঠা সহকাৰে মা শীতলাক এই মন্দিৰত পূজা কৰে। লোক বিশ্বাস মতে মা শীতলাক পূজা কৰিলে চেচক তথা বসন্ত ৰোগৰ পৰা অব্যাহতি পায়।

**শ্রীহৰিশয়ন :—** শাস্ত্রত উল্লেখ আছে যে আহাৰ মাহৰ শুক্লা একাদশীৰ দিনাৰ পৰা শ্রীহৰিয়ে শয়ন কৰে আৰু কাতি মাহৰ শুক্লা একাদশীৰ দিনা পুনৰ জাগি উঠে। ভক্ত সকলে বাকীবোৰ একাদশীত ব্রত নকৰিলেও এই দুটা একাদশীক পৰম পবিত্র ব্রত হিচাবে পালন কৰে আৰু মন্দিৰত পূজা অর্চনা কৰে। এই দুয়োটা একাদশীতে মন্দিৰত ভক্ত সকলৰ যথেষ্ট ভিৰ হয়।

**শ্রীব্যাস জয়ন্তী তথা গুৰু পূর্ণিমা :—** এই উৎসৱ আহাৰ মাহৰ শুক্লা পূর্ণিমাত পালন কৰা হয়। এই দিনত ভগৱান পশুপতি নাথক জ্ঞানৰ অধিষ্ঠাতা গুৰু ৰূপে পূজা কৰে। আধ্যাত্মিক সাধন মার্গত গুৰুৰ স্থান বহু ওপৰত। গুৰু আশ্রিত নহলে শিষ্যই পৰম জ্ঞান, আত্ম জ্ঞান লাভ কৰিব নোৱাৰে। সেই বাবে এই দিনত পশুপতি নাথৰ দক্ষিণ মূৰ্ত্তিক গুৰু ৰূপে পূজা কৰে। গৌৰীঘাটৰ ওচৰত থকা ভগৱান দক্ষিণামূৰ্ত্তিৰ মন্দিৰত এই গুৰু পূর্ণিমাৰ দিনা বিশেষ ধৰণৰ পূজা হয়।

**হৰি তালিকাতীজ :—** এই পৰ্ব ভাদ মাহৰ শুক্লা তৃতীয়া তিথিত পালন কৰা হয়। হিন্দু নাৰী বা কন্যা সকলে সৌভাগ্যৱতী হোৱাৰ মানসেৰে "নির্জ্জল" ব্রত কৰি স্নান, শিৱপূজা, ভজন, কীর্ত্তন ৰাত্রি জাগৰণ আদি পদ্ধতিৰে এই উৎসৱ পালন কৰে। এই উৎসৱত নৃত্য গীত আদিবো ব্যৱস্থা আছে। শিৱক স্বামীৰূপে পাবৰ কাৰণে জগতমাতা পাৰ্বতীয়ে

এই দিনতে কঠোৰ ব্ৰতৰ শুভাৰম্ভ কৰিছিল । পাৰ্বতীয়ে পিতৃ-মাতৃৰ পৰা আজ্ঞা নোপোৱা স্বত্বেও সখী সকলক লৈ এই ব্ৰত তথা তপস্যা কৰিছিল বাবে এই ব্ৰতৰ নাম হৰিতালিকা ব্ৰত নামেৰে জনাজাত। শিৱ পুৰাণত এই ব্ৰতৰ উল্লেখ আছে ।

**নৱৰাত্ৰী** :-- মাতা গুহ্যকালী, ভূবনেশ্বৰী, বৎসলা মঙ্গলাগৌৰী নৱদূৰ্গা, বনকালী, জয়বাগীশ্বৰী আদি অনেক দেৱীৰ পীঠ থকা বাবে শৰৎ আৰু বসন্ত কালত এই শাক্ত পীঠত অনেক ভক্তৰ আগমন হয় আৰু পূজা পাৰ্বণ পালন কৰা হয়। বিশেষকৈ আহিন মাহৰ শুক্লা প্ৰতিপদৰ পৰা মহানৱমী পৰ্যন্ত দৰ্শনাৰ্থীৰ যথেষ্ট ভিৰ হয়। মহানৱমীৰ দিনা পূজা সেৱা কৰিলে মনৰ সকলো সংশয় দূৰ হয় বুলি লোকৰ বিশ্বাস ।

**বৈকুণ্ঠ চতুৰ্দশী** :— কাতি মাহৰ শুক্লা চতুৰ্দশী তিথিত এই উৎসৱ পালন কৰা হয়। এই উৎসৱ ভগৱান পশুপতি নাথৰ এক বিশেষ শৃঙ্গাৰ পূজা বুলিব পাৰি। এই দিনা ৰাতি ভগৱান পশুপতিৰ বাবে এক বিশেষ ধৰণৰ ভোজনৰ ব্যৱস্থা কৰা হয়। মন্দিৰত উক্ত দিনত ভক্তবৃন্দৰ যথেষ্ট ভিৰ হয় ।

**বাল চতুৰ্দশী** :— মাৰ্গকৃষ্ণ চতুৰ্দশী তিথিত এই উৎসৱ পালন কৰা হয়। ত্ৰয়োদশী তিথিৰ দিনা ৰাতি ভক্তসকলে উজাগৰে থাকি পিতৃ পিতামহৰ মূক্তিৰ বাবে ওৰে ৰাতি অখণ্ড বন্তি জ্বলায়। ৰাতিপুৱা স্নান কৰি কৈলাশ, শ্লেষ্মান্তক বন, চৌসঠ লিঙ্গ আদি পবিত্ৰ স্থানবোৰ পৰিভ্ৰমণ কৰি ভক্তসকলে পশুপতি নাথ মন্দিৰ দৰ্শন কৰেহি। এইদিনা ভোজন, দান-দক্ষিণা আদি প্ৰথাও প্ৰচলিত আছে ।

ইয়াৰ উপৰিও শ্ৰীৰাম নৱমী, গংগাদশহৰা, শ্ৰাৱণী পূৰ্ণিমা, শ্ৰীকৃষ্ণ জন্মাষ্টমী, শাওণ মাহৰ প্ৰত্যেক সোমবাৰ, ঋষি পঞ্চমী, পুহ আৰু মাঘ মাহৰ শুক্ল পূৰ্ণিমা, বহাগৰ শুক্ল পূৰ্ণিমাত, চত্ৰ যাত্ৰা, আহাৰ মাহৰ শুক্ল সপ্তমীত, সূৰ্য তথা গঙ্গামাই যাত্ৰা, শাওণ মাহৰ শুক্ল চতুৰ্দশীত, পবিত্ৰাৰোহণ, ভাদ মাহৰ কৃষ্ণ প্ৰতিপদত গাইযাত্ৰা, ভাদৰ



কৃষ্ণ দ্বিতীয়াত খড়্গা যাত্ৰা, কাতি মাহৰ শুক্ল পূৰ্ণিমাত চন্দ্ৰ বিনায়ক যাত্ৰা, মাঘ মাহৰ কৃষ্ণ দশমীত শ্বেত ভৈৰব যাত্ৰা, নৱদুৰ্গা যাত্ৰা, গুহ্যেশ্বৰী যাত্ৰা, প্ৰত্যেক ১২ বছৰৰ মূৰত হৰিসিদ্ধি যাত্ৰা, চ'ত মাহৰ কৃষ্ণ ষষ্ঠীত দেশোদ্ধাৰ যাত্ৰা, ব্ৰজেশ্বৰী যাত্ৰা, ভীমসেন যাত্ৰা আদি অনেক পৰ্ব উল্লেখনীয় । এই আটাইবোৰ পৰ্বতে অগনন ভক্তৰ সমাগম হয়। এই পবিত্ৰ ক্ষেত্ৰৰ ধাৰ্মিক সাংস্কৃতিক আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্দ্ধন আৰু তাক সুৰক্ষিত কৰি ৰখাৰ বাবে মন্দিৰ সমিতিয়ে সময়োপযোগী কাৰ্যক্ৰম প্ৰচলন কৰা দেখা যায় ।

**যাত্ৰী সকলৰ বাবে বিশেষ জানিবলগীয়া কথা** :—

ক) পশুপতি নাথ মন্দিৰ কাঠমাণ্ডু চহৰৰ পৰা প্ৰায় পাঁচ কিঃ মিঃ দূৰত অৱস্থিত। যাত্ৰীৰ বাবে ৰত্নপাৰ্কৰ পৰা সৰু ডাঙৰ বাছ গাড়ী অটৰিক্সা আদি পোৱা যায়।

খ) যাত্ৰী সকলৰ থকা খোৱাৰ কাৰণে মন্দিৰৰ ওচৰতে পশুপতি নাথ গো-শালা নামেৰে এখন বৃহৎ ধৰ্ম্মশালা আছে। ইয়াৰ শুল্ক অতি সামান্য । কিছু দূৰত বনকালী ধৰম শালাতো কম খৰচতে যাত্ৰী থাকিব পাৰে । তাৰোপৰি চহৰৰ ভিতৰতো ধৰ্মশালা, হোটেল আদিত থকাৰ সুব্যৱস্থা আছে ।

গ) মন্দিৰ চৌহদত প্ৰবেশ কৰোতে কোনো যাত্ৰীয়ে কেমেৰা, টেপৰেকৰ্ড, জোতা, চেণ্ডেল, পেটি আদি নিব নোৱাৰে ।

ঘ) ভগৱান পশুপতি নাথৰ পূজা অৰ্চনাৰ বাবে ভক্তসকলে ৰুদ্ৰাক্ষৰ মালা, বেলপাত, মিঠাই আৰু বাবে বৰণীয়া ফুলৰ মালা নিব পাৰে।

ঙ) সুৰক্ষা আৰু মৰ্যদা ৰক্ষাৰ বাবে মাত্ৰ হিন্দুসকলকহে মন্দিৰত প্ৰবেশ কৰিবলৈ অনুমতি দিয়া হয় ।

চ) কোনো যাত্ৰীয়ে বন্ধু বান্ধৱৰ লগত টেলিফোন যোগে খবৰ বাতৰি যোগাযোগ কৰিব বিচাৰিলে সাধাৰণ মাচুল দিব লাগে ।

ছ) কোনো যাত্ৰীয়ে যদি পশুপতি নাথ মন্দিৰৰ প্ৰতি সশ্ৰদ্ধাৰে নগদ ধন অথবা কোনো বস্তু দান কৰিব বিচাৰে তেনেহলে তেওঁলোকে "শ্ৰীপশুপতি ক্ষেত্ৰ বিকাশ কোষ সঞ্চালক পৰিষদ" নামেৰে গঠিত কাৰ্যালয়ত জমা দি ৰচিদ লব পাৰে।

জ) কোনো যাত্ৰীয়ে নিজৰ মাল বস্তু সংৰক্ষিত কৰি ৰাখিব বিচাৰিলে সামান্য মাচুলৰ বিনিময়ত "সুৰক্ষা" কোঠাত ৰখাৰ ব্যৱস্থা আছে।

ঝ) কোনো যাত্ৰী হঠাৎ সৰু আঘাত প্ৰাপ্ত হলে তাত থকা "প্ৰাথমিক উপ-স্বাস্থ্য কেন্দ্ৰত" যোগাযোগ কৰি সুস্থ হব পাৰে। সকলো যাত্ৰীয়ে এই আটাইবোৰ সুবিধা পশ্চিম দুৱাৰৰ কাষতে অৱস্থিত কাৰ্যালয়ত যোগাযোগ কৰিলে পাব পাৰে।

## মন্দিৰ দৰ্শনাৰ্থীৰ বাবে জানিবলগীয়া কথা :—

১। প্ৰতিদিন ব্ৰহ্মমুহূৰ্তত (প্ৰাতঃ কাল ৪ বজাত) ভগৱান পশুপতি নাথৰ পশ্চিম দুৱাৰ খোলা হয়।

২। প্ৰতিদনে ৰাতিপুৱা ৯ বজাত মন্দিৰৰ চাৰিওফালৰ দৰ্জা খোলা হয়। তদুপৰি ১২ বজাত মন্ত্ৰ পাঠ কৰা হয়।

৩। গ্ৰীষ্ম কালত সন্ধিয়া ৭ বজাত আৰু বাকী সময়ত সন্ধিয়া ৬ বজাত মন্দিৰত আৰতী কৰা হয়।

৪। প্ৰত্যেক দিনে মন্দিৰ বন্ধ হোৱাৰ আগে আগে ২ বজাত শঙ্খ জল দিয়া হয়। মুঠতে বিশ্বৰ নানা দেশৰ পৰা অহা ভক্তপ্ৰাণ যাত্ৰী সকলৰ বাবে কোনো অসুবিধা নোহোৱাকৈ স্নান, দান, দৰ্শন, পূজা অৰ্চনা আদিৰ সুব্যৱস্থা আছে। শ্ৰদ্ধাৱান হিন্দু সকলে এই সুবিধা গ্ৰহণ কৰা ভাল।

ooo



# গোৰক্ষ ধাম

পশুপতি নাথ মন্দিৰৰ ওচৰতে সৰু টিলা এটাত গোৰক্ষ ধাম অৱস্থিত। টিলাটো নানা তৰহৰ ফল-মূলৰ গছ-গছনিৰে ভৰপূৰ। গছবোৰত উপবিষ্ট অসংখ্য ৰাম ভক্ত কপিগণে টিলাটোৰ শোভাবৰ্দ্ধন কৰিছে। মন্দিৰ প্ৰাঙ্গণ বেচ আহল-বহল। গোৰক্ষ নাথ জীৰ সমাধি স্থানত এটা মন্দিৰ আছে। মন্দিৰত প্ৰতিদিনে কুণ্ডলধাৰী মহন্তই পূজা অৰ্চনা কৰে। গোৰক্ষ ধামৰ পূজাৰী জনক মহন্ত বোলে। মন্দিৰৰ দক্ষিণ ফালে এটা দুমহলীয়া ঘৰ জৰাজীৰ্ণ অৱস্থাত বৰ্ত্তমান। মন্দিৰৰ প্ৰধান অধ্যক্ষ জনাৰ নাম যোগী শ্ৰীনৰহৰি নাথ বেদান্ত। সেই সময়ত তেখেত ধামত নাছিল। চহৰৰ কালীমাটি নামে ঠাইত আছিল। এই পৰম পবিত্ৰ ধামত উপস্থিত হোৱাৰ লগে লগে শৰীৰ আৰু মনলৈ সাত্বিক ভাব আহে।

আমি ধামখনৰ বিষয়ে সবিশেষ জানিবলৈ বিচৰাত সেই সময়ত থকা মহন্ত জনাই ধামখনৰ (ইতিবৃত্ত) বিষয়ে এটা অদ্ভুত কাহিনী কৈছিল। কাহিনীটো এনে ধৰণৰ— আজিৰ পৰা প্ৰায় ২৫শ মান বছৰৰ আগতে মহান সাধু গোৰৰ নাথ জী ভিক্ষাৰ বাবে নেপাললৈ আহিছিল। সেই সময়ত নেপালৰ অধিবাসীসকল বৌদ্ধ ধৰ্মাৱলম্বী আছিল। সেই বাবে শৈৱধৰ্মৰ শিৰোমণি গোৰয নাথ জীক হেয়জ্ঞান কৰি লোকসকলে ভিক্ষা নিদিলে। এনে কাৰ্যত নাথ জী ক্ৰোধান্বিত হৈ নাগমালা জপ কৰি মৃগস্থলিত (বৰ্ত্তমান গোৰক্ষ ধাম) তপস্যা কৰিবলৈ ধৰিলে। ফলস্বৰূপে ১২ বছৰ জুৰি একেৰাহে দেশত অনাবৃষ্টি হ'ল। ৰজা-প্ৰজাৰ হাহাকাৰ লাগিল। ৰজা চিন্তান্বিত হৈ দৈৱজ্ঞৰ ওচৰ চাপিল। জ্যোতিষীসকলে গণনা কৰি কলে যে মহাৰাজ আপোনাৰ ৰাজ্যত এজন শৈৱ মাৰ্গৰ মহা সাধকে ক্ৰোধ বশতঃ নাগমালা জপ কৰি মেঘমালাৰ

ওপৰত বহি জপ কৰি আছে। তেওঁৰ তপ ভঙ্গ নোহোৱালৈকে দেশত বৃষ্টি নহব। তেতিয়া ৰজাই দৈৱজ্ঞ সকলৰ ওচৰত ইয়াৰ পৰিত্ৰাণৰ উপায় বিচাৰিলে। তেতিয়া জ্যোতির্বিদ সকলে ৰজাক পৰামৰ্শ দি কলে যে সাধকজনৰ গুৰু মহাৰাজ মৎসেন্দ্ৰ নাথ জী বৰ্ত্তমান ভাৰত ভূমিৰ অসম প্ৰদেশৰ কামৰূপ জিলাত ধৰ্ম প্ৰচাৰত ব্ৰতী হৈ আছে। তেওঁক যদি কিবা প্ৰকাৰে আনিব পৰা যায় তেনেহ'লে গুৰুজীক সাক্ষাৎ হোৱাৰ লগে লগে শিষ্যই প্ৰণাম জনাবলৈ বাধ্য হব। আৰু এনে কাৰ্যত তেওঁৰ তপস্যা ভঙ্গ হবই। বৃষ্টিও অৱশ্যম্ভাৱী। তেতিয়া ৰজাই ৰাজদূত পঠিয়াই কৌশল পূৰ্ণ ভাবে গুৰুজীক মৃগস্থলিলৈ আনিলে। গুৰুজী উপস্থিত হোৱাৰ লগে লগে গোৰব নাথে প্ৰণাম জনাই মূৰ দোৱালে। লগে লগে তেওঁৰ তপ ভঙ্গ হ'ল। আচৰিত কথা মুহূৰ্ত্তৰ ভিতৰতে মেঘমালা সৰ্প আদি আকাশলৈ উৰি যাব ধৰিলে। দেশত ধাৰাসাৰ বৰষুণ হ'ল। সাধকৰ মাহাত্ম্য বুজি সেই দিন ধৰি ৰজাই এই মৃগস্থলিত নিত্য পূজা কৰিবলৈ ধৰিলে। এই ঠাই আশ্ৰমলৈ ৰূপান্তৰিত হোৱাৰ প্ৰায় ৩০২৭ বছৰ মান হ'ল। মন্দিৰ নিৰ্মাণৰ কালো প্ৰায় ৪০০শ বছৰৰ অধিক হ'ল।

পবিত্ৰ ধামখনৰ এনে মাহাত্ম্যপূৰ্ণ কাহিনী শুনি সচাঁকৈ আমি আত্ম সন্তুষ্টি লাভ কৰিলো। আমি আশ্ৰম অধ্যক্ষ গৰাকীক লগপোৱাৰ ব্যাকুলতা দেখি আমাৰ অনুৰোধ মৰ্মে আশ্ৰমত থকা মহন্ত জনে এজন শিষ্যৰ লগত আমাক কালীমাটিলৈ (যত যোগীনৰহৰি নাথ বেদান্ত আছিল) পঠাই দিলে। আমি গৈ কালীমাটিৰ এটি দুমহলীয়া ঘৰৰ আহল-বহল কোঠালি এটাত গুৰুজীৰ দৰ্শন লাভ কৰিলো। কৌপীন, কুণ্ডল, গেৰুৱা বসনধাৰী মৃদুভাষী চিক্‌চাক সৌম্য মূৰ্তিৰ গুৰুজীক দেখাৰ লগে লগে আমি অভিভূত হৈ পৰিলো। জানু পাৰি সেৱা জনোৱাৰ পিছত আমাক বহিবলৈ সংকেত দিলে। আমিও নিমাও মাও কৈ আসন গ্ৰহণ কৰিলো।



সেই সময়ত তেৰাৰ প্ৰায় ৩০ জন মান শিষ্যৰে সৈতে ধৰ্মীয় বৈঠক চলি আছিল। আমিও বৈঠকত ভাগ ললো। সেইদিনা বৈঠকৰ মূল বিষয় বস্তু আছিল বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ মাজত সংস্কৃত ভাষা বাধ্যতামূলক কৰা। কাৰণ দেৱ ভাষা সংস্কৃতত অপৈনত লোকে কেতিয়াও বেদ-বেদান্তৰ আধ্যাত্মিক জ্ঞান উপলব্ধি কৰিব নোৱাৰে। আলোচনা বোৰ হিন্দী, নেপালী আৰু সংস্কৃত ভাষাত হৈছিল। অভাজনৰ তিনিটা ভাষাৰে যৎসামান্য জ্ঞান থকা বাবে প্ৰায়বোৰ আলোচনাকে কিছু পৰিমাণে বুজি পোৱা হৈছিল। হিন্দীতে দুই চাৰি প্ৰশ্নও উত্থাপন কৰা হৈছিল। প্ৰায় ডেৰ ঘণ্টা মান পিছত বৈঠকৰ সামৰণি পৰিছিল। শিষ্যসৱে গুৰুজীক প্ৰণাম জনাই ঘৰা-ঘৰি গৈছিল।

শিষ্য সকলক বিদায় দি তেখেতে আমাৰ পৰিচয় লৈছিল। মই নিজ ঠাইৰ পৰিচয় দিয়াৰ উপৰিও বৰ্ত্তমান অসম সাধু সেৱক সন্মিলনীৰ আৰু অবিভক্ত কামৰূপ সাধু সেৱক সন্মিলনী দুয়োখনৰে সাধাৰণ সম্পাদকৰ সেৱা কাৰ্যত ব্ৰতী হৈ থাকি বিশ্বৰ হিন্দু প্ৰধান ৰাষ্ট্ৰ নেপাল ভ্ৰমণৰ উদ্দেশ্যে আহিছো বুলি কলো। লগতে সতীৰ্থ মাননীয় শ্ৰীগৰ্গেশ্বৰ নাথ বৈষ্ণৱ দেৱকো সন্মিলনী দুখনৰ যথাক্ৰমে উপ-সভাপতি আৰু সভাপতি হিচাবে পৰিচয় কৰি দিলো। গুৰুজীয়ে আমি দুখন বৈষ্ণৱ ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত ব্যক্তি হিচাবে ভ্ৰমণলৈ অহাত আনন্দ প্ৰকাশ কৰিলে। প্ৰায় এক ঘণ্টা ৪৫ মিনিট সময় তেখেতৰ লগত বৈষ্ণৱ ধৰ্মৰ সম্প্ৰসাৰণ, ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত বৈষ্ণৱ গুৰু সকলৰ কৰ্ত্তব্য আৰু দায়িত্ব, কলি কালত লোক সকলক একেশ্বৰ বাদৰ ওপৰত আত্মা বিশ্বাস জন্মোৱা, আশ্ৰম সমূহত যোগশিক্ষাৰ প্ৰচলন, শিশু সকলক বাল্য কালৰ পৰা হৰি ভক্তি জ্ঞান দিয়াৰ উপকাৰিতা আৰু শেষত আত্মাতত্ব সম্পৰ্কে কিছু কথা আলোচনা কৰা হ'ল। আলোচনা সমূহ ভ্ৰমণ কাহিনীৰ লগত বজিতা নেথাব বুলি প্ৰকাশ কৰা নহ'ল। অৱশ্যে

লিখকৰ ইতিমধ্যে প্ৰকাশিত "জীৱন দৰ্শন" নামৰ পুথিখনিৰ গোটাচেৰেক প্ৰবন্ধত এই সম্পৰ্কে কিছু আভাস দিয়া হৈছে। আলোচনাৰ অন্তত তেখেতে আমাক অসমৰ দুখন বৃহৎ ধৰ্মীয় বৈষ্ণৱ সমাজৰ সেৱক হিচাবে গণ্য কৰি কেইটিমান বহুমূলীয়া উপদেশ তথা পৰামৰ্শ দিলে।

১। অসমৰ আশ্ৰম সমূহত যোগশিক্ষা, বৃক্ষৰোপণ আৰু গাভী পোষণ আঁচনি গ্ৰহণ কৰিব লাগে।

২। প্ৰধান ভাৱে মহিলা সকলক ধৰ্মৰ অঙ্গীভূত কৰিব লাগে। নহ'লে সমাজ লেঙেৰা হৈ থাকিব।

৩। বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ মাজত সংস্কৃত ভাষা বাধ্যতামূলক কৰিবলৈ চৰকাৰৰ ওচৰত প্ৰস্তাৱ যোগে হেঁচা দিব লাগে।

৪। সন্মিলনীৰ অন্তৰ্ভূক্ত আশ্ৰম বোৰত অনাথ শিশু সকলক আশ্ৰয় দি পুথিগত শিক্ষা আৰু যোগশিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৫। সন্মিলনীৰ বাৰ্ষিক সভাবোৰলৈ তত্বজ্ঞানী গুৰুসকলক আমন্ত্ৰণ কৰি লোকসকলক যুগধৰ্ম সম্পৰ্কে অৱগত কৰোৱাৰ চেষ্টা কৰিব লাগে।

কথা প্ৰসঙ্গতে গুৰুজীয়ে বহু বছৰ আগতে অসমৰ বৰ্ত্তমান মৰিগাঁও জিলাৰ চৰাইবাহীলৈকে আহি ধৰ্মীয় সভাত যোগদান কৰাৰ কথা আমাক কলে।

শেষত শতবৰ্ষৰ দুৱাৰ ডলি অতিক্ৰম কাৰী অথচ ডালিম গুটিয়া দাঁত আৰু কিচ্‌কিচীয়া কলা চুলিৰে পকা থেকেৰাটোৰ দৰে যোগী বালব্ৰহ্মচাৰী, বেদান্ত নাথজীক পুনৰ প্ৰণাম জনাই বিদায়লৈ আহিলোঁ।

০০০০



# কাঠমাণ্ডু চহৰ

কাঠমাণ্ডু নেপালৰ ৰাজধানী আৰু প্ৰধান চহৰ। কাঠমাণ্ডু শব্দটো কাষ্ঠ মণ্ডপ, কাঠমণ্ডপ আৰু শেষত মুখবাগৰি কাঠমাণ্ডু হৈছেহি বুলি কোৱাৰ থল আছে। জনপ্ৰবাদ মতে পূৰ্বতে মাত্ৰ এডাল প্ৰকাণ্ড গছৰ কাঠেৰে বৰ্ত্তমান ৰাজধানীৰ মাজ মজিয়াতে এটা কাষ্ঠ মণ্ডপ সজা হৈছিল। ঠাইখিনি আজিও কাষ্ঠ মণ্ডপ নামে জনাজাত হৈ আছে। চহৰখনত পদাৰ্পণ কৰাৰ লগে লগে মনলৈ এনে ভাব আহে যেন চহৰখন এটা পদুমৰ চ'কাতহে অৱস্থিত। চহৰৰ চাৰিওফালে থকা পদুমৰ পাহিৰ দৰে পাহাৰৰ সৰু সৰু টিলাবোৰে আগুৰি আছে। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোমোহা। ইয়াৰ কালি প্ৰায় ৫৪০ বৰ্গ কিঃ মিঃ।

চহৰ আৰু চহৰৰ আশে-পাশে থকা মঠ-মন্দিৰকে আদি কৰি দৰ্শনীয় বস্তুবোৰ চোৱাৰ উদ্দেশ্যে আমি থকা ধৰ্মশালাৰ পৰা বাছেৰে আহি ৰত্ন পাৰ্কলৈ গলোঁ। তাৰ নিকটবৰ্তী "দশৰথ ৰংগশালা" নামেৰে বৃহৎ ষ্টেডিয়ামখন দৰ্শন কৰিলো। খেল পথাৰখন বেচ আহল-বহল। ইয়াৰ চাৰিও দিশত ছহিদসকলৰ মূৰ্ত্তি সাজি ৰখা হৈছে। ইয়াৰ পিছতে আমি হনুমান ঢকা (দৰ্জা) দৰবাৰলৈ গলো আৰু দহ টকাকৈ টিকট লৈ ভিতৰত প্ৰবেশ কৰিলো। দুৱাৰ মুখত নৰসিংহৰ মূৰ্ত্তি আৰু ওপৰত গৰুড় পক্ষীৰ মূৰ্ত্তি আছে। দুৱাৰ মুখত পহৰীয়া লোক আছে। ভিতৰ ভাগ বৃহৎ এলেকা পূৰ্ণ। ইয়াক এক প্ৰকাৰ ৰজাঘৰীয়া সংগ্ৰহালয় বুলিব পাৰি। ৰজা সকলৰ ছবি সহ ক্ৰমিক বংশাৱলীৰ বৰ্ণনা আছে। পৃথিৱী নাৰায়ণ ছাহ, ছাহ বংশৰ প্ৰথম ৰজা আছিল। তাৰ পিছত ক্ৰমে প্ৰতাপসিং ছাহ, ৰণ বাহাদুৰ ছাহ, বৰ্ণ বিক্ৰম ছাহ, ৰাজেন্দ্ৰ বিক্ৰম ছাহ, সুৰেন্দ্ৰ বিক্ৰম ছাহ, ঐলোক্য বিক্ৰম ছাহ, বীৰ বিক্ৰম ছাহ, পৃথি বিক্ৰম ছাহ, ত্ৰিভুবন বীৰ বিক্ৰম ছাহ (মুকুট বিহীন), মহেন্দ্ৰ বিক্ৰম ছাহ আদিয়ে

ৰাজত্ব কৰিছিল। ৰজা ত্ৰিভুবন বীৰ বিক্ৰম ছাহে Raleigh চাইকেল চলোৱা, গড়ৰ পিঠিত উঠি বন্দুকেৰে বাঘ গুলিয়াই হত্যা কৰা আদি ছবি দেখিবলৈ পোৱা যায়। ৰাজকীয় পোছাক যুদ্ধ বিগ্ৰহৰ ঢাল তৰোৱাল আৰু বিভিন্ন অস্ত্ৰ পাতিৰ লগতে নানা দেশ-বিদেশৰ মুদ্ৰাবোৰ সুৰক্ষিত কৰি ৰখা হৈছে। চৌহদ প্ৰাঙ্গণত কেইবাটিও বৌদ্ধ বিহাৰ (মন্দিৰ) আছে। এই বিহাৰবোৰ কাঠেৰে সজোৱা হলেও ইয়াৰ কাৰুকাৰ্য চমকৃপ্ৰদ। বৰ্ত্তমান এইবোৰৰ অৱস্থা জৰাজীৰ্ণ। দৰ্জা-খিৰিকিবোৰ প্ৰায় ভগ্ন অৱস্থাত থকা দেখিলো। সম্ৰাট অশোকৰ ৰাজত্ব কালৰ পূৰ্বে এই বিহাৰবোৰ সজা হৈছিল বুলি ভাবিব পাৰি। সাত মহলীয়া বৌদ্ধ বিহাৰ এটাৰ শীৰ্ষ ভাগত উঠি আমি গোটেই ৰাজধানী চহৰখন নয়নভৰি দৰ্শন কৰিলো। সহযাত্ৰী এজনৰ মূৰ ঘূৰি যোৱাত আমি কিছু সময় বহিলো। সগৌৰবে উন্নত মস্তকে থিয় হৈ থকা বৌদ্ধ মঠ বা পেগোদাবোৰে এসময়ত এই দেশত বৌদ্ধ ধৰ্মৰ প্ৰাচুৰ্ভাবৰ কথাকে সোঁৱৰাই দিয়ে।

বাহিৰলৈ ওলাই আহি কাঠ মণ্ডপত প্ৰবেশ কৰি দেখিলো যে তাত এজন সুশ্ৰী দেহৰ ডেকালোকে 'নেৱাৰী' ( পৰ্বতীয়া ভাষা ) ভাষাত সুললিত সুৰত মহাকাব্য ৰামায়ণ পঢ়ি আছে। আদহীয়া পুৰুষ-মহিলাই পাঠত অংশ গ্ৰহণ কৰি একান্তচিত্তে ৰামায়ণ শুনিছিল। পৰিবেশে আমাক বিমোহিত কৰাত ভাষা নুবুজা স্বত্বেও আমি ১৫ মিনিট সময় অতিবাহিত কৰিলো।

অকণমান আগুৱাই গৈ ৬ খন হাতেৰে ভীষণ আকৃতিৰ শিলত কটা কালভৈৰৱ মূৰ্ত্তিৰ মন্দিৰ, পাতাল ভৈৰৱ মন্দিৰ, প্ৰকাণ্ড ঘণ্টা এটাৰে দেখিলো। জগন্নাথ মন্দিৰৰ সন্মুখত এটা প্ৰকাণ্ড হনুমানৰ মূৰ্ত্তি বিৰাজমান। কুমাৰী মন্দিৰ কাঠেৰে সজোৱা যদিও ইয়াত বিভিন্ন মূৰ্ত্তি অংকিত কৰিছে। ইয়াৰ কাৰুকাৰ্য প্ৰাচীন আৰু চাবলগীয়া। কল্পনা বিলাসী মনেৰে চাব জানিলে এই মূৰ্ত্তিবোৰ জীৱন্ত যেন অনুভৱ হয়। বিষ্ণু মন্দিৰৰ পশ্চিম



দিশে গৰুড় পক্ষীৰ বৃহৎ মূৰ্ত্তি আছে। ইয়াৰ অলপ দূৰত দুটা প্ৰকাণ্ড দামা (নাগাৰা) ভেট্‌ভেটাই যাত্ৰী সকলক চাই আছে। ইয়াৰ ব্যাস প্ৰায় ৬/৭ ফুট মান হব। প্ৰবাদ আছে যে ইয়াৰ শব্দ যিমান দূৰলৈকে শুনা যায় সিমান দূৰলৈকে কোনো লোকে হাল কৰ্ষণ কৰিব নোৱাৰে। ইংৰাজ আদেশ। ইয়াৰ কাষতে গনেশ মন্দিৰ, সিংহ চত্তৰ, গোৰক্ষ নাথ, ভগৱান বৌদ্ধ মন্দিৰ, কঙ্গেঁশ্বৰী মন্দিৰ আছে।

বিষ্ণুমতি নদীৰ ওপৰত দুটা খুটাৰে দোলন পদ্ধতিৰে কাঠৰ দলং এখন আছে। ওপৰৰ অংশ লোহাৰ বচিৰে বনোৱা। বুঢ়া নীলকণ্ঠ মন্দিৰ দেখাত সৰু হলেও ইয়াৰ পাৰতে থকা জলাশয়ত অনন্ত নাগৰ ওপৰত শ্ৰীকৃষ্ণই শয়ন কৰি থকা দৃশ্যাই যাত্ৰীসকলক আকৰ্ষণ কৰে। অলপ দূৰত "ভগৱান স্নান মন্দিৰ" নামেৰে এটা বৌদ্ধ মন্দিৰ আছে। স্বাভিল চ'কৰ আশে-পাশে শ্ৰীজয়া ভোগেশ্বৰী, অন্নপূৰ্ণ মন্দিৰ, ভদ্ৰাকালী মন্দিৰ, মৎছেন্দ্ৰ নাথৰ মন্দিৰ (শিৱ মন্দিৰ), কায়েশ্বৰী মন্দিৰ আদি আছে। তলেজু ভগৱতী মন্দিৰ বছৰত মাত্ৰ এবাৰহে খোলে। দুৰ্গাপূজাৰ সময়ত ইয়াত বলি দান হয়। যাত্ৰীৰ নিতে সমাগম নাই বাবে ইয়াৰ চৌহদৰ অৱস্থা পৰিত্যক্ত দেখিলো।

শম্ভুনাথ বৌদ্ধ মন্দিৰলৈ আমি ৰত্নপাৰ্কৰ পৰা বাছেৰে গলো। টিলা এটাৰ শিখৰত সমতল ভূমিৰ পৰা প্ৰায় ৬০০ শ ফুট উচ্চতাত মন্দিৰ অৱস্থিত। মন্দিৰৰ দুৱাৰ মুখৰ সমতল ভূমিত দুটা বুদ্ধৰ বৃহৎ মূৰ্ত্তি আছে। তোৰণৰ ওপৰত দুটা হৰিণৰ ছবি আঁকা আছে। খট-খটিৰ দুয়োকাষে থকা লোহাৰ মাৰিত ধৰি মন্দিৰলৈ উঠি যাব পাৰি। খট-খটিৰ দুয়ো কাষে হাতী, ঘোঁৰা, ময়ুৰ আৰু সিংহৰ মূৰ্ত্তি বোৰ বেচ আকৰ্ষণীয়। যাত্ৰী সকলৰ পৰা বাদাম, ফলমূল আদি পোৱাৰ আশাৰে অসংখ্য দীঘল নেজাল মুগা বৰণীয়া বান্দৰে চোপ্ দি থাকে। মন্দিৰ প্ৰাঙ্গণত পদাৰ্পণ কৰি জিৰণি পোৱাৰ আপাহতে আকৌ এবাৰ চহৰৰ দৃশ্যবোৰ নয়নভৰি

চাই ললো। চহৰৰ প্ৰাকৃতিক দৃশ্য আচলতে মনোলোভা। তাত থকা এজন ক্ষপণকৰ (বৌদ্ধ সন্যাসী) পৰা জানিব পাৰিলো যে এই মন্দিৰটো চীন দেশৰ মিস্ত্ৰীয়ে বনোৱা। নিৰ্ম্মাণ কাল প্ৰায় ২০৮ বছৰ হৈছে। প্ৰায় ১৫০ ফুট গোলাকাৰ এই বৃহৎ মন্দিৰটো প্ৰায় ১৬০ ফুট মান ওখ হব। শৰাইৰ দৰে খাপ খাপকৈ বনোৱা তলৰ অংশ পিতলৰ আৰু ওপৰৰ কল্‌চি ভাগ সোণৰ। মন্দিৰৰ দেৱালত বুদ্ধ মূৰ্ত্তি অংকিত আছে। মন্দিৰ চৌহদতে আন্তৰাষ্ট্ৰীয় বৌদ্ধ পুস্তকালয় International Buddhist Library আছে। সৰু সৰু ২৫ টা মান বৌদ্ধ বিহাৰ আছে। তাৰোপৰি স্বয়ম্ভু বৌদ্ধ মূৰ্ত্তি সংগ্ৰহালয়, জ্ঞান মালা, ভজন মালা আদি অনেক দোকান-পোহাৰ আছে। মুঠতে যাত্ৰীৰ বাবে এই মন্দিৰ চিত্তাকৰ্ষক বুলিব পাৰি।

## ৰজা আৰু ৰাজদৰবাৰ

নেপালৰ বৰ্ত্তমান ৰজা শ্ৰীবীৰেন্দ্ৰ বীৰ বিক্ৰম ছাহ, ছাহ বংশৰ প্ৰতিষ্ঠাপক ৰজা পৃথিৱী নাৰায়ণ ছাহৰ বংশধৰ। ৰজাৰ সহধৰ্ম্মিণী (ৰাণী) শ্ৰীঐশ্বৰ্য ৰাজলক্ষ্মীদেৱী ছাহ। ৰজাৰ ৰাজ হাউলি দীঘল দীঘল জোঙা লোহাৰ ৰডেৰে আটোম টোকাৰি কৈ সজা কেবাখনো দুৱাৰ (গেট) পাৰ হলেহে ৰজাৰ ৰাজ প্ৰাসাদ, কাৰ্যালয় গৃহ আৰু বাসভৱন পোৱা যায়। ৰজাৰ অনুমতি পালেহে ভিতৰত প্ৰবেশ কৰিব পাৰে। একেদিনে প্ৰবেশৰ বাবে অনুমতি নেপাবও পাৰে। ৰাজদৰবাৰ ওখকৈ সজোৱা হৈছে যাতে ৰজাই ইয়াৰ পৰা দেশৰ প্ৰাকৃতিক মনোমোহা শোভা উপভোগ কৰিব পাৰে। ৰজাৰ বাসগৃহত ১৫২ খন দৰ্জা (ঢকা) আছে। ৰজাই প্ৰতিদিনে বেলেগ বেলেগ দৰ্জাৰে ওলোৱা সোমোৱা কৰে। ই অতি গোপনীয়। যোগিনীৰ লগত এনে কাৰ্যৰ কিবা সম্পৰ্ক থকা যেন অনুমান হয়। ৰজাই বছৰত মাত্ৰ এদিনহে ৰাজমুকুট পিন্ধে। বাকী



দিনবোৰত নেপালী টুপি আৰু দৰবাৰী পোছাক পৰিধান কৰি ৰাজ কাৰ্য পৰিচালনা কৰে। ৰাজ প্ৰাসাদৰ ভিতৰতে বাসভৱনৰ পৰা দূৰত প্ৰথম গেটৰ ওচৰতে এটা মন্দিৰ আছে। যাত্ৰীসকলে ৰখীয়াৰ অনুমতি লৈহে মন্দিৰ প্ৰাঙ্গণত প্ৰবেশ কৰিব পাৰে। মৃত্যুভাবী ৰজা আৰু ৰাণীয়ে প্ৰতি মঙ্গলবাৰে এই মন্দিৰত পূজা-অৰ্চনা কৰে। মন্দিৰ দেখিবলৈ অতি ধুনীয়া আৰু ইয়াৰ কলচি ভাগ সোণেৰে নিৰ্মিত। মন্দিৰৰ সন্মুখত জীৱন্ত ৰূপত থকা ষাড় গৰুৰ মূৰ্ত্তিটোৱে যাত্ৰী সকলক আকৰ্ষণ কৰে। মন্দিৰ প্ৰাঙ্গণত বট, পিপল (আঁহত) আৰু স্বামী নামৰ ত্ৰিবৃক্ষ সংগম স্থল অতি মাহাত্ম্য পূৰ্ণ। ৰজাই ভ্ৰমণ কালত ইয়াতে সেৱা জনাইহে গমন কৰে।

প্ৰবাদ আছে যে এই ত্ৰিবৃক্ষৰ সংগম স্থলত একান্ত ভাবে সেৱা ভক্তি কৰিলে অপুত্ৰকে পুত্ৰ পায়, নিধনীয়ে ধন পায়, কুমাৰীয়ে মনোমত স্বামী পায়, বৰলাই মনোহাৰিণী ভাৰ্যা পায়, যাত্ৰাও শুভ হয়। আমিও নিষ্কামভাৱে সেৱা এটি জনালোঁ। ইয়াৰ ছাঁ অতি শীতল। ভাগৰুৱা আতমাৰ জিৰণি স্থল। ৰাজ হাউলিৰ ওচৰতে এটা প্ৰকাণ্ড কুণ্ড আছে। কুণ্ডটো দীঘলে প্ৰায় ১৫০ ফুট আৰু বহলে প্ৰায় ৮০ ফুট হব চাৰিটা চুঙাৰে অনৱৰত কুণ্ডত পানী পৰি আছে। অথচ কি আচৰিত কথা কুণ্ডটো কোনো দিনে পানীৰে পূৰ্ণ নহয়।

## কাঠমাণ্ডু চহৰৰ বাতাবৰণ

চহৰৰ বাট পথবোৰ বেচ আহল-বহল। ইয়াত আমাৰ দেশৰ দৰে ৰাস্তাৰ ওপৰত সজা গতি ৰোধক (Speed Breaker) ব্যৱস্থা নাই। মাত্ৰ কিছু দূৰে দূৰে ৰাস্তাৰ ওপৰত চাৰি ইঞ্চিমান বহল কৈ বগা ৰঙেৰে চিহ্নিত কৰা আছে। পথিকে ৰাস্তা পাৰ হব লাগিলে এই চিহ্ন থকা ঠাইৰেহে পাৰ হয়। গাড়ীবোৰৰো এই চিহ্ন পোৱাৰ লগে লগে গতি ৰোধ কৰা হয়। চহৰত সৰু বৰ বাছ গাড়ী, অটৰিক্সা, টেম্পোগাড়ী,

টেক্সি আদি অনেক ধৰণৰ যানবাহন আছে। যাত্ৰী কঢ়িওৱা কিছু বাছ গাড়ীৰ পেটৰ পৰিবৰ্ত্তে পিছফালেহে দৰ্জা দেখা যায়। যাত্ৰীসকলে গাড়ীৰ পৰা নামাৰ আগতে বা নামি নিজে নিজে ভাড়া দিয়াৰ নিয়ম আছে। কণ্ডাক্টৰে ভাড়া সাধি যাত্ৰীক হাইৰাণ নকৰে। চহৰৰ ভিতৰত ৰিক্সাৰ চলাচল নাই বুলিয়ে কব পাৰি। অতিপাত ভাড়া বাবে যাত্ৰী নুঠে। অৱশ্যে সমভূমি অঞ্চলত ৰিক্সাৰ চলাচল আছে। চহৰত টেম্পো গাড়ীয়ে বেছিকৈ চলে। দেশ-বিদেশৰ নানা ৰঙৰ গাড়ী দেখা পোৱা যায়। দুৰ্ঘটনা কমেহে ঘটে। চহৰৰ মাজ-মজিয়াত থকা সিংহ দুৱাৰ (Assembly House) প্ৰায় ২ কিঃ মিঃ দীঘল। ইয়াৰ তল ভাগত চৰকাৰী গুদাম ঘৰ আছে। ৰাজধানীৰ কেবা ঠাইতো ৰজা সকলৰ ব্ৰঞ্জৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়। চহৰত সৰু কোঠালি এটাৰ ভাড়া সাত শ, আঠ শ টকা। চাৰিশ টকাৰ কমত কোনো ধৰণৰ কোঠালি পোৱা নাযায়। চাহ খাব লাগিলে গিলাচৰ ভিতৰত এটা চাহপাতৰ সৰু টোপোলা দিয়া থাকে। নিজ ৰুচি মতে চোকা বা ওদা কৰি খাব পাৰি। সকলো চাহ দোকানতে গৰুৰ নাইবা ম'হৰ গাখীৰহে ব্যৱহাৰ কৰে। প্ৰতি কাপ চাহৰ দাম তিনি টকা আৰু ভাল মিঠাইৰ দাম দহ-বাৰ টকা।

কাপোৰ আদিৰ দাম আমাৰ ইয়াৰ তুলনাত কম নহয়। চীনা কলম (Wing Sung) প্ৰচুৰ পৰিমাণে পোৱা যায়। মূল ৩০/৪০ টকা পৰ্যন্ত আছে। বিশাল বজাৰত (Super Market) সোণৰ মূল্য প্ৰতি তোলাত আঠ হাজাৰ চাৰিশ টকা। ডাঢ়ি-চুলি কাটিলে সোঁতৰ টকা লাগে। বজাৰত তৰকাৰীৰ দাম মধ্যম বুলিব লাগিব। ঘেওৰা ভোল নামৰ তিনি হাত দীঘল এবিধ ভোল দেখিলো। মাটিৰ মূল্য ৰাজধানীৰ পৰা পাঁচ কিঃ মিঃ দূৰত প্ৰতিবিঘাত ওঠৰ হাজাৰ (১৮,০০০·০০) টকা, ২ কিঃ মিঃ দূৰত প্ৰায় সত্তৰ হাজাৰ (৭০,০০০·০০) টকা আৰু চহৰৰ মাজত এক কোটি পৰ্যন্ত কিনা-বিকা হয়।



কোনো কোনো ঠাইত ৰাস্তাৰ কাষত বহি নিম্ন আয়ৰ নেপালী তিৰোতাই পোৱা মাকৈ বিক্ৰী কৰে। দুই টকাত মাকৈ এটা কিনি আমি জানিব পাৰিলো যে এনে ক্ষুদ্ৰ ব্যৱসায়ৰ দ্বাৰা সৰু পৰিয়াল এটা চলাই নিব পাৰে। বিশ্বজ্যোতি চিনেমা হ'ল, জয় নেপাল চিত্ৰ ঘৰ, অশোক চিনেমা হ'ল আদি কেবাটাও চিনেমা ঘৰ আছে। অকল ৰাজধানীতে সাতটা চিনেমা হ'ল আছে। চহৰত মাত্ৰ এটা "নেপালী জামে মছজিদ" নামেৰে মুছলমান সকলৰ উপাসনা গৃহ দেখিলোঁ। ইয়াৰ ওচৰতে বিছমিল্লা ৰেষ্টোৰেণ্ট আছে। Wood Lands Hotel, Hotel Sherpa আৰু অন্য পূৰ্ণ হোটেলত বিদেশী পৰ্যটকসকলৰ বাবে সকলো সুবিধা আছে।

কমল পুখুৰীৰ পাৰত গণেশৰ মূৰ্ত্তিৰ ওপৰত সহস্ৰ ফণাযুক্ত সৰ্পৰ এটা মন্দিৰ আছে। ত্ৰিভুবন মিলিটাৰী হাস্পাতাল, বীৰ হাস্পাতাল আদি ডাঙৰ হাস্পাতালবোৰত ৰোগী ৰাখি চিকিৎসা কৰাৰ ভাল ব্যৱস্থা আছে। থোপাথলিৰ মহাদেউ মন্দিৰৰ পিতলৰ সিংহ চাৰিটাই মন্দিৰৰ দুৱাৰ মুখত থাকি মহিষাসুৰ ৰূপী দুস্কৃতিকাৰী সকলক ভেটা দি আছে। দেও ঘাটত ১০ টা জলধাৰ (গঙ্গা) সঙ্গম স্থানত বিভিন্ন ঠাইৰ পৰা সাধু মহন্তসকল আহি তপস্যা কৰি আছে। প্ৰতি বছৰে মাঘ আৰু বহাগ বিহুত ডাঙৰ মেলা হয়। কালীকা মন্দিৰত কালীয়ে জিভা মেলি কালৰূপ ধাৰণ কৰি মহাদেৱৰ বুকুৰ ওপৰত ভৰি দিয়া দৃশ্যই দৰ্শকক চমক্ লগায়।

নেপালৰ ডাঙৰ নদীবোৰৰ ভিতৰত গণ্ডকী, কৰ্ণালী, মেচী, মা-কালী নাৰায়ণী আদি স্ৰোতাস্বিনী। Jowakshel নামে ঠাইত সদৰ চিৰিয়াখানা আছে। প্ৰবেশ দ্বাৰত লিখা আছে "Be ware of Pick Pocket"। চিৰিয়াখানাত দেশ-বিদেশৰ জন্তু, চৰাই, সৰ্প আদি অনেক প্ৰাণী আছে। বাঘবোৰৰ চেহেৰা পুতৌ লগা। খাদ্যৰ অভাৱ যেন অনুমান হয়। কিছুমান চৰাই কোনো আবুৰ নোহোৱাকৈ আছে। কপৌ জাতীয় এবিধ বিদেশী পাৰ চৰাই দেখি দৰ্শনাৰ্থী মোহিত হয়।

মুক্তি নাথ মন্দিৰ পখৰা নামৰ ঠাইৰ পৰা খোজ কাঢ়ি গলে পাঁচ দিন মান লাগে। আটক-ধুনীয়াকৈ সজোৱা মন্দিৰ পাহাৰৰ ওপৰত অৱস্থিত। শিৱৰ জটৰ পৰা ১০৭ (এশ সাত) ধাৰা জল অবিৰাম গতিত বৈ আছে। জটৰ গঙ্গা সোঁতেৰে গাখীৰৰ দৰে স্বচ্ছ জলধাৰ প্ৰবাহিত হৈ আছে। প্ৰবাদ আছে যে তেল শেষ হলেও প্ৰদীপ জ্বলি থাকে।

বুদ্ধদেৱৰ জন্মস্থান লুম্বিণী ইয়াৰ পৰা প্ৰায় ৪৫০ কিঃ মিঃ মান দূৰ হব। সেই সময়ত হোৱা প্ৰবল বানপানীয়ে ৰাস্তা ভাঙি পেলোৱাত আমি ইচ্ছা থকা স্বত্বেও যাব নোৱাৰিলো। তিব্বতীয়া লামা এজনৰ পৰা জানিব পাৰিলো যে তাত বুদ্ধদেৱৰ ডাঙৰ-সৰু প্ৰায় ১২ টা মান মন্দিৰ আছে। বুদ্ধ পূৰ্ণিমাত ডাঙৰ মেলা হয়। দেশ-বিদেশৰ পৰা বৌদ্ধ ধৰ্মৰলোক সকল এই মেলালৈ আহে। সমভূমি তৰাই অঞ্চলত যথেষ্ট ধান খেতি হয়। নেপালৰ ডাঙৰ হাবি Tiger Top চিতাপুৰত অৱস্থিত। ই চহৰৰ পৰা প্ৰায় ২০০ কিঃ মিঃ দূৰ হব। এই হাবিত সিংহ, বাঘ, গড়, ভালুক, হাতী, ম'হ, হৰিণ, অজগৰ সৰ্প আৰু নানা ৰংচঙীয়া চৰাই আছে। চৰকাৰে বনোৱা ওখ ঘৰত উঠি এই জীৱ-জন্তুবোৰ কিছু দৰ্শন কৰিব পাৰি।

## নেপাল ৰাষ্ট্ৰৰ চমু ইতিহাস

নেপাল এখন বিশ্বৰ হিন্দু প্ৰধান ৰাষ্ট্ৰ। ই হিমালয়ৰ পাদদেশত অৱস্থিত। প্ৰাকৃতিক মনোমোহা সৌন্দৰ্য্যৰে ই ভৰপুৰ।

**ভৌগলিক চাৰি সীমা :—** নেপালৰ উত্তৰে তীব্বত, পূবে চিকিম আৰু পশ্চিমবঙ্গ, দক্ষিণে বিহাৰ আৰু উত্তৰ প্ৰদেশৰ এক অংশ আৰু পশ্চিমে উত্তৰ প্ৰদেশে আগুৰি আছে। ই পূবা পশ্চিমাকৈ প্ৰায় ৮৯০ কিঃ মিঃ আৰু উত্তৰা দক্ষিণাকৈ ১৪৫ কিঃ মিঃৰ পৰা ২৪০ কিঃ মিঃ জুৰি



আছে। জলবায়ু প্ৰায় সমভাবাপন্ন বুলিব পাৰি। অতি উচ্চ ঠাইবোৰত বৰফৰ প্ৰকোপ বেছি বাবে শীতৰ মাত্ৰা অধিক। কিন্তু দক্ষিণৰ সমভূমি অঞ্চলত গ্ৰীষ্মকালি তাপৰ মাত্ৰা বৃদ্ধি হয়। ভাৰততকৈ নেপালৰ মান সময় প্ৰায় ১০ মিনিট আগবঢ়া।

**ৰাজনৈতিক বাতাৱৰণ :—** নেপালৰ ৰাজনৈতিক ইতিহাস গৌৰৱময়। ইয়াৰ সভ্যতা খৃঃ পূঃ ১০০০ (এক হাজাৰ) বছৰৰ আগতেই গঢ়ি উঠিছিল। বৰ্ত্তমানৰ নেপাল ৰাষ্ট্ৰখন অতি পুৰণি ৰাজ্য সমূহৰ একত্ৰিত থুপ বুলিব পাৰি। বৰ্ত্তমানৰ ছাহ বংশই খৃঃ ১৭৬৮ চনত নেপালৰ সিংহাসন দখল কৰে। ইয়াৰ আগতে নেপালত আব'হিৰ, কিৰাট, মালা, গোপাল, আদি অনেক বংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। ১৯৯০ চনত হোৱা গণতান্ত্ৰিক বিপ্লবে নেপালত বহু দলীয় গণতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠিত কৰাত যুগমীয়া ৰাজকীয় শাসন ব্যৱস্থাৰ এক আমোল পৰিবৰ্ত্তন ঘটে। প্ৰথম প্ৰধান মন্ত্ৰী শ্ৰীকৃষ্ণ প্ৰসাদ ভতৰাইৰ দিনত ৰজাৰ ৰাজ ক্ষমতা (Royal Power) বহুখিনি হ্ৰাস পায়। বৰ্ত্তমান নেপাল, গণ প্ৰতিনিধিত্ব মূলক চৰকাৰৰ হাতত শাসনভাৰ ন্যস্ত।

**বাসিন্দা :—** নেপালৰ ভিন্ ভিন্ অঞ্চলত ভিন্ ভিন্ সম্প্ৰদায়ৰ জাতি-জনজাতি আৰু উপজাতিৰ লোকসকলে বাস কৰে। এওঁলোকৰ মাজত ভাষাৰ আৰু সাজ-পোছাকৰ বৈশাদৃশ্য আছে। চেৰ্পা, গুৰুং, লিম্বু, থাপা, চোনোৱাৰ, ৰেইচ, লামা, ৰাই তামাং, মগৰ, নেৱাৰ, কৃষ্ণ, লোৱাৰে, সোণাৰে, বাৰা আদি এই দেশৰ অধিবাসী। ইয়াৰ উপৰিও চেত্ৰী, উপাধ্যায়, ঠাকুৰ, ভটৰাই আদি ব্ৰাহ্মণ সম্প্ৰদায়ৰলোক গোটেই দেশখনতে সিঁচৰিত হৈ আছে। দেশখনৰ বৰ্ত্তমান জনসংখ্যা প্ৰায় ১৮ নিযুত মান হব।

**ধৰ্ম আৰু মঠ-মন্দিৰ :—** নেপালত প্ৰধান ভাবে হিন্দু আৰু বৌদ্ধ ধৰ্মাৱলম্বী লোক আছে। ইয়াৰ ভিতৰত হিন্দুধৰ্মৰ লোক শতকৰা ৮৫ ভাগ, বৌদ্ধ ধৰ্মৰলোক শতকৰা ১৩ ভাগ আৰু অন্য ধৰ্মৰলোক শতকৰা ২

ভাগহে আছে। হিন্দু আৰু বৌদ্ধ মাজত বেচ বুজাপৰা আৰু মিলাপ্ৰীতিৰ এনাজৰী ডাল অধিক কট্‌কটিয়া। এই মহানুভৱতাৰ বাবেই কাঠমাণ্ডুকে কেন্দ্ৰ কৰি দেশৰ প্ৰায়বোৰ প্ৰধান ঠাইতে আটক-ধুনীয়া হিন্দু মন্দিৰবোৰ আৰু সুউচ্চ প্ৰকাণ্ড প্ৰকাণ্ড বৌদ্ধ বিহাৰ বা পেগোদাবোৰ অক্ষুণ্ণ অৱস্থাত আছে। এই দুই ধৰ্মৰ মহামিলনক এক সামাজিক বৈশিষ্ট্য বুলিব পাৰি। এই দুই ধৰ্মৰ বাহিৰে আন ধৰ্মাৱলম্বীলোকৰ সংখ্যা তাকৰ যদিও তেওঁলোকৰ মাজত বেচ সৌহাৰ্দ্য পূৰ্ণ ভাব দেখা যায়।

হিন্দু মন্দিৰ সমূহৰ ভিতৰত পৃথিৱী বিখ্যাত পশুপতি নাথ মন্দিৰ। ইয়াৰ বাহিৰেও গোৰক্ষ ধাম, কুমাৰী মন্দিৰ, কাষ্ঠমণ্ডপ, আকাশ ভৈৰব মন্দিৰ, গুহ্যেশ্বৰী মন্দিৰ (ইয়াতে সতীৰ গুহ্যদ্বাৰ ভাগ পৰিছিল), কুম্ভেশ্বৰ মন্দিৰ, কিৰাত তেছোৱাৰ মহাদেউ মন্দিৰ, বিশ্বম্ভাৰ মন্দিৰ, গৌৰীঘাট, জগৎ নাৰায়ণ মন্দিৰ আদি প্ৰধান। সেইদৰে বৌদ্ধ স্তুপবোৰৰ ভিতৰত বৌদ্ধ নাথ স্তুপ, শম্ভুনাথ স্তুপ, ৰুদ্ৰবৰ্ণ মহাবীৰ স্তুপ, অশোক স্তুপ আদি প্ৰধান ভাবে উল্লেখযোগ্য। কিন্তু বিশেষত্ব এই যে এই মঠ-মন্দিৰ বোৰত উভয় সম্প্ৰদায়ৰ লোকেই পূজা-পাতাল কৰে। তাতোকৈ বিশেষত্ব হ'ল যে নেপালত মাইকী ম'হ আৰু ছাগলী হত্যা কৰা নিষেধ।

**ভাষা সংস্কৃতি :—** নেপাল বাবে বঙলুৱালোকৰে ভৰপূৰ যদিও নেপালী ভাষাহে ৰাষ্ট্ৰীয় ভাষা। চৰকাৰী কাম-কাজ নেপালী ভাষাতে চলে। কিন্তু সম্প্ৰদায় ভেদে নিজ নিজ ভাষাত কথা-বতৰা হয়। কিছু জনজাতি আৰু উপজাতিৰ লোকে দোৱান ব্যৱহাৰ কৰে। শিক্ষিতলোক আৰু পথ -প্ৰদৰ্শক (Guide) সকলে ইংৰাজী ভাষা খল-খলীয়াকৈ কব পাৰে। ইয়াত প্ৰায় ৭০ খনমান হাইস্কুল আৰু মহেন্দ্ৰ সংস্কৃত কলেজকে আদি কৰি কেবাখনো কলেজ আছে।

সংস্কৃতিৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ মঠ-মন্দিৰৰ দেৱালবোৰত খটোৱা বিভিন্ন কাৰুকাৰ্য্য আৰু আটকধুনীয়া স্থাপত্য



বিদ্যাই লোকসকলৰ কলা বিদ্যাৰ আভাস দিয়ে। মন্দিৰবোৰত আটোল-টোলকৈ ৰখা ব্ৰঞ্জৰ আৰু শিলৰ মূৰ্ত্তিবোৰে প্ৰাচীন সভ্যতাৰ উন্নত মানদণ্ডৰ পৰিচয় দিয়ে। কাঠেৰে সজোৱা বৌদ্ধ বিহাৰবোৰৰ কাৰুকাৰ্য চমক্‌প্ৰদ। সেয়েহে ইয়াক ভাস্কাৰ্য্যবিদ্যাৰ ভঁৰাল বুলিব পাৰি। কাজে কাজে নেপাল দেশ কলা-সংস্কৃতিৰ ক্ষেত্ৰত চহকী বুলিয়ে কব লাগিব। সাজপাৰ আৰু আচাৰ নীতিৰ ক্ষেত্ৰত সাধাৰণতে এওঁলোক সহজ-সৰল নিৰ্জু প্ৰকৃতিৰ আৰু অতিথি পৰায়ণ বুলি জনজাত। ককালত খুকুৰি আৰু মূৰত টুপি পৰিধান কৰা এওঁলোকৰ এটা বৈশিষ্ট্য। কালীপূজাৰ পিছতে শুক্লা দ্বিতীয়া তিথিত নেপালী সম্প্ৰদায়ে ভাতৃ দ্বিতীয়া উৎসৱ অতি আন্তৰিকতাৰে আৰু শ্ৰদ্ধা সহকাৰে পালন কৰে।

**কৃষি :—** নেপাল এখন কৃষি প্ৰধান দেশ। ইয়াৰ ৯০ শতাংশ লোকেই কৃষি কৰ্মৰ লগত জড়িত। ইয়াৰ প্ৰধান খেতি ধান, মৰাপাট সৰিয়হ, কুঁহিয়াৰ, মাকৈ, ঘেহু, বাৰ্লি আদি। দেশখনৰ অধিক অংশই পৰ্বত-পাহাৰে আগুৰি থকা বাবে মুঠ মাটিকালিৰ মাত্ৰ ১৮/১৯ শতাংশতহে খেতি কৰা হয়। ধান খেতি প্ৰধানভাবে তৰাই অঞ্চলত আৰু কম বেছি পৰিমাণে ৰাজধানী কাঠমাণ্ডুৰ আশে-পাশে আৰু পোখৰা উপত্যকাত হয়। খাদ্য শস্যৰ মুঠ উৎপাদনৰ প্ৰায় ৫৬ শতাংশ ধান খেতি হয়। পৰ্বতৰ ঢালবোৰ খেতি-বাতিৰ বাবে উপযুক্ত নহয় যদিও বৰ্ত্তমান কালত ঢাপ বা বেদিকা ( Terrace ) পদ্ধতিৰে ঢাপৰ সহায়ত পানী জমা কৰি ৰাখি খেতি কৰে। ই অতি কষ্টকৰ। টিলাবোৰৰ নামনি অংশত বিবিধ ফলমূলৰ খেতি কৰা হয়।

**যাতায়ত আৰু বাণিজ্য :—** ভাৰত আৰু নেপালৰ মাজত সকলো প্ৰকাৰ যোগাযোগৰ সুবিধাৰ বাবে বনোৱা পথটোৰ নাম ত্ৰিভুবন ৰাজপথ। এই দেশত ৯০০ কিল'মিটাৰতকৈ অধিক আলিবাট আছে যদিও $\frac{3}{4}$ ভাগতহে সকলো সময়তে যান-বাহন চলা-চল কৰে। তৰাই অঞ্চলৰ বীৰগঞ্জ চহৰৰ

পৰা আমলেখাগঞ্জলৈহে ৰেল যোগাযোগৰ ব্যৱস্থা আছে। ইয়াৰ উপৰিও আমলেখাগঞ্জৰ পৰা কাঠমাণ্ডুৰ ওচৰলৈকে ৰজ্জুপথৰো ব্যৱস্থা আছে।

নেপাল ভাৰতৰ মিত্ৰ দেশ কাৰণে বাণিজ্যিক সম্বন্ধ বেছি । এই দেশৰ ৰপ্তানিৰ প্ৰধান সামগ্ৰীবোৰ হ'ল ধান, মাখন, আলু, কাঠ আৰু মৰাপাট। আমদানিৰ ভিতৰত মটৰগাড়ী, ঔষধ আৰু নানা যন্ত্ৰপাতি প্ৰধান। ত্ৰিছুলি জলবিদ্যুৎ কেন্দ্ৰ নেপালৰ এক বৃহৎ নদী যোজনা। এক কথাত কবলৈ গলে ভ্ৰমণকাৰীৰ বাবে নিঃসন্দেহে নেপাল এখন বিস্ময়জনক ৰাষ্ট্ৰ।

## প্ৰত্যাৱৰ্ত্তন

ভ্ৰমণৰ কালছোৱাত আমি কোনো পথ প্ৰদৰ্শক (Guide) নোলোৱাকৈ পুলিচৰ সৌজন্যতে নেপালৰ ঐতিহ্যমণ্ডিত মঠ-মন্দিৰকে আদি কৰি মুখ্য মুখ্য বস্তুবোৰ দৰ্শন কৰি ৰাজধানী, চহৰ তথা দেশখনৰ বিষয়ে কিছু সম্যক জ্ঞান আহৰণ কৰি সপ্তাহ দিনৰ অন্তত সুস্থ শৰীৰে মাতৃ ভূমিলৈ প্ৰত্যাবৰ্ত্তন কৰাৰ সিদ্ধান্ত ললো। ইতিমধ্যে আমি খবৰ কৰি জানিব পাৰিলো যে বানপানীয়ে ভঙা ৰাস্তা আৰু দলংবোৰ মেৰামতি কৰা হৈছে। কাঠমাণ্ডুৰ পৰা কাকৰভিটালৈ বাছ চলাচল আৰম্ভ হৈছে। ২-৮-৯৩ ইং তাৰিখে আমি ৰাতিপুৱা ৬ বজাত গোশালা ধৰ্মশালাৰ সমিতিৰ পৰা ধন্যবাদ সূচক বিদায়লৈ ধৰ্মশালা প্ৰাঙ্গণৰ মন্দিৰত সেৱা এটি জনাই বাছেৰে ৰত্ন পাৰ্কত নামোহি। ৰত্ন পাৰ্কত চাৰিটা টুপি থকা ঘৰত অলপ সময় জিৰণি লোৱাৰ পিছতে টিকট ঘৰৰ কাউন্টাৰ খোলে। প্ৰতিখন টিকেটত ২৫৫·০০ টকা হিচাবে তিনিখন টিকটলৈ গাড়ীৰ চিট্ নম্বৰ মতে আমি বহিলোগৈ। সাত বজাত আমাৰ গাড়ী কাকৰভিটা অভিমুখে ৰাওনা হ'ল । বিদায় বেলিকা দেশখনৰ প্ৰতি অহৈতুকী প্ৰেমত আপোনা-আপুনি অশ্ৰু জল নিগৰি পৰিল ।

ওভতা পথত, পৰ্বত-পাহাৰ কাটি উলিয়াই লোৱা পৰ্বতীয়া একা-বেকা পথ তদুপৰি কেইদিনমান আগতে প্ৰবল বানে গৰকি যোৱা পথেৰে

আহোতে কিছু কষ্ট অনুভৱ হৈছিল। কিন্তু প্ৰাকৃতিক মনোমোহা সৌন্দৰ্যই কষ্টৰ কিছু লাঘৱ কৰিছিল। কেতিয়াবা হঠাৎ তললৈ চকু গলে হাজাৰ ফুট তলৰ গহ্বৰবোৰ দেখি গাৰ নোম শিয়ৰি উঠে। পৰ্বতৰ ঢালবোৰত অশেষ যত্ন কৰি ঢাপ কাতি (Terrace Cultivation) কৰা ধান, মাকৈ, বাৰ্লি আদিৰ শ্যাম বৰণীয়া খেতিবোৰ দেখি আমি মুগ্ধ হৈছিলো। টিলাবোৰত নানা তৰহৰ ফল মূলৰ গছ দেখিছিলো। প্ৰায় ১৮ ঘন্টাৰ মূৰত ৫৭০ কিঃ মিঃ ৰাস্তা ভগৱান পশুপতি নাথৰ কৃপাত নিৰ্বিঘ্নে আহি কাকৰভিটা পালোহি। ৰাতিৰ বাকীখিনি সময় শাকাহাৰী ভাগ্য হোটেলতে কটালো। ৰাতিপুৱা ৫-৩০ বজাত আমি বাছগাড়ীৰে শিলিগুড়ীলৈ আহিলো। এই চুটি পথ আহোতে ভাড়া পাঁচ টকা লৈছিল আৰু সময় প্ৰায় এক ঘন্টা লাগিছিল। কাকৰভিটাৰ পৰা $1\frac{1}{2}$ কিঃ মিঃ দূৰত অৱস্থিত পানী টেংকিৰ চেক্পোষ্টত অহা-যোৱা সকলোবোৰ যাত্ৰীকে খানা-তালাচ কৰে। আমিও সেই তিতা-কেহা সোৱাদ পাইছিলো। মেচী নদীৰ ওপৰত বন্ধা পকা দলঙে ভাৰত নেপালৰ সীমাৰ সংকেত দিয়ে। ৭ বজাত আমি শিলিগুড়ীৰ পৰা প্ৰাইভেট বাছেৰে গুৱাহাটী অভিমুখে ৰাওনা হলো। সন্ধিয়া ৮-৩০ বজাত আমাৰ চিৰ পৰিচিত গুৱাহাটী মহানগৰীত পদাৰ্পণ কৰি স্বস্তিৰ নিশ্বাস কাঢ়ি পৰমপিতা পৰমেশ্বৰৰ পদ-কমলত স্মৰণ যোগে নৱম ভকতি আত্মনিবেদন জনালো। প্ৰকাশ্য যে ভ্ৰমণৰ কালছোৱাত মন্দিৰ সমূহ দৰ্শনৰ সময়ত গীতাৰ মহান বাণী— "মা ফলেষু কদাচন" সাৰোগত কৰি কোনো ধৰণৰ মানস কৰা নাছিলো। থোৰতে কবলৈ হলে আমাৰ এই ভ্ৰমণ মধুময় আৰু সফল হোৱা বুলি আমি ভাবিছো। গুৰু কৃপাহি কেৱলম্।

ওম্ শান্তি, ওম্ শান্তি, ওম্ শান্তি।

লিখকৰ প্ৰকাশিত গ্ৰন্থ— "জীৱন দৰ্শন"।